www.newsnextone.com
# e সংবাদ
Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, OCTOBER 06, 2024 ■ শনিবাৰ।। ১৯ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭৪ Guwahati, Assam ।। মূল্যঃ এটকা

## মেঘালয়ত বানত নিহত ১০

**শ্বিলং, ৫ অক্টোবৰঃ** প্ৰবল বৃষ্টিপাতে ভয়াবহ বান আৰু ভূস্খলনৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে ৩ পৃষ্ঠাত চাওক

## কামত অসন্তুষ্ট কেন্দ্ৰই নিদিয়ে পুঁজি ■ ঠিকাদাৰৰ লাগিছে হাহাকাৰ

# ৰাজ্যত হঠাৎ 'জীৱন বিহীন' মোদীৰ স্বপ্নৰ জল জীৱন মিছন!



এতিয়া গাঁৱে-ভূঞে এনেদৰেই আধৰুৱা হৈ পৰি ৰ'ব বহু প্ৰকল্প!

**ই-সংবাদ বিশেষ, ৫ অক্টোবৰঃ** হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ ৰাজকোষ উদং বুলি প্ৰায়েই বিৰোধী দলে অভিযোগ উত্থাপন কৰি আহিছে। বিত্তীয় অৱস্থা অৱস্থা থৰক-বৰক বুলি বিৰোধীয়ে অভিযোগ উত্থাপন কৰি অহাৰ শেষাংশ ৪ পৃষ্ঠাত চাওক

## জুবিন গাৰ্গৰ ধ্ৰুপদী ক্ৰোধ

**ই-সংবাদ, ৫ অক্টোবৰঃ** এদিন পূৰ্বে জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গে অসমীয়া ভাষাক স্বীকৃতিৰ দৰকাৰ নাই বুলি মন্তব্য কৰাত ৰাজ্যত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সমগ্ৰ জাতিটোৱে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান কৰাত আনন্দ-উল্লাস প্ৰকাশৰ সময়তে জুবিন গাৰ্গে প্ৰশ্ন কৰি কৈছিল যে আমি ভাৰত চৰকাৰক সকলো দি আছো, আমাক কি দিছে বুলি প্ৰশ্ন কৰিছিল। শেষাংশ ৫ পৃষ্ঠাত

## আপ অসমত নতুনকৈ ইভেণ্ট মেনেজমেণ্ট পদ! প্ৰতিক্ৰিয়া

**ই-সংবাদ, ৫ অক্টোবৰঃ** আম আদমী পাৰ্টী অসমে ইভেণ্ট মেনেজমেণ্ট নামৰ এটা পদ সৃষ্টি কৰাত দলৰ ভিতৰতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কেৱল ইভেণ্ট মেনেজমেণ্ট নামৰ পদ শেষাংশ ৩ পৃষ্ঠাত

### দেওবাৰৰ বিশেষ কলম

## ধ্ৰুপদী ভাষাৰ কথা

■ ড০ দীনেশ বৈশ্য

**অসমীয়া** শাস্ত্ৰীয় ভাষা হ'ল। এই সম্পৰ্কে অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে ফেচবুকত দিয়া বক্তৃতাত মন্তব্য বেছিভাগেই ইংৰাজী ভাষাত দিছে। আগৰ নীতি মতে যি ভাষাৰ অস্তিত্ব ১৫০০ৰ পৰা ২০০০ বছৰ প্ৰাচীন সেই ভাষাক শাস্ত্ৰীয় ভাষাৰ স্বীকৃতি দিয়া হয়। এতিয়া শেষাংশ ২ পৃষ্ঠাত

## অসম! বিৰোধী ঐক্য মঞ্চ আজিৰে পৰা হ'ল 'অসম সন্মিলিত মৰ্চা'

### ২০২৬ত বিজেপিক ভেটিবলৈ নতুন ৰণনীতি



**ই-সংবাদ, ৫ অক্টোবৰঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিক পৰাভূত কৰিবৰ বাবে সন্মিলিত বিৰোধীয়ে এইবাৰ ককালত টঙালি বান্ধিছে। কংগ্ৰেছৰ নেতৃত্বত ১৮টা ৰাজনৈতিক দলে এইবাৰ বিৰোধী ঐক্য মঞ্চৰ নাম সলনি কৰি অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম' নামেৰে নতুনকৈ নামাকৰণ কৰিছে। শেষাংশ ৩ পৃষ্ঠাত



## ত্ৰিশংকু হ'ব পাৰে কাশ্মীৰ হাৰিয়ানাত কংগ্ৰেছৰ চৰকাৰ!

**নতুন দিল্লী, ৫ অক্টোবৰঃ** বাধাহীন লহৰেৰে জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাত ক্ষমতাসীন হোৱাৰ দৌৰত আগবাঢ়িছে কংগ্ৰেছ। আজি সম্পন্ন হোৱা হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ শেষাংশ ৫ পৃষ্ঠাত

## মোদীৰ মন্দিৰ নিৰ্মাণ কৰা ময়ূৰ মুণ্ডেই এৰিলে বিজেপি

**মুম্বাই, ৫ অক্টোবৰঃ** আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক পট পৰিৱৰ্তন হৈছে মহাৰাষ্ট্ৰত। এসময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুণানুকীৰ্তন কৰি ভাগৰি নপৰা নেতাইও এতিয়া বিজেপি ত্যাগ কৰি ঢাপলি মেলিছে অন্য দললৈ। বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত মহাৰাষ্ট্ৰত ঘোৰ



সংকটে দেখা দিছে শাসকীয় মিত্ৰজোঁটত। অনুসূচিত জাতিৰ নিযুক্তি বন্ধ কৰাৰ বিৰুদ্ধে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদত নামিছে শাসকীয় মিত্ৰজোঁটৰ জনজাতীয় বিধায়ক। এনে সময়তে ৰাজ্যখনৰ বিজেপিৰ পুনে ইউনিটত ক্ষমতাসীন বিধায়কৰ বিৰুদ্ধে উত্থাপন হৈছে নিৰ্বাচনৰ প্ৰাৰ্থী বাছনি শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধ্ৰুপদী ভাষাৰ কথা

১০০০ বছৰ পুৰণি হ'লেও শাস্ত্ৰীয় ভাষা হিচাপে স্বীকৃত হয়। অসমীয়া ভাষাৰ পণ্ডিতসকলে কৈ গৈছে অসমীয়া ভাষাটো ১৩০০ বছৰ পুৰণি।

আমি হয়তো বহুতে নাজানো বাংলা ভাষাটো পৃথিৱীৰ অষ্টম বৃহৎ ভাষা আৰু মাৰাঠী ভাষাটো পৃথিৱীৰ ১৩ তম বৃহৎ ভাষা। আনহাতে অসমীয়া ভাষাটো হ'ল পৃথিৱীৰ ৬৫তম বৃহৎ ভাষা। অসম চৰকাৰে চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয় বন্ধ কৰি অসমীয়া ভাষা শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত কৰিছে। অসমীয়া ভাষাটো যদি কেতিয়াবা বিপন্ন ভাষা হয় তাৰ বাবেও বৰ্তমানৰ অসম চৰকাৰ দায়ী হ'ব।

এইবাৰ ভাৰত চৰকাৰে ঘোষণা কৰা শাস্ত্ৰীয় ভাষা কেইটা হ'ল পালি, প্ৰাকৃত, অসমীয়া, বাংলা আৰু মাৰাঠী। ইয়াৰে পালি আৰু প্ৰাকৃত প্ৰায় মৃত ভাষা। বাংলা আৰু মাৰাঠী বৃহৎ ভাষা। বাংলা ভাষাটো পৃথিৱীৰ অষ্টম বৃহৎ ভাষা আৰু মাৰাঠী ভাষাটো পৃথিৱীৰ ১৩তম বৃহৎ ভাষা। আনহাতে অসমীয়া ভাষাটো হ'ল পৃথিৱীৰ ৬৫তম বৃহৎ ভাষা।

অসমীয়া ভাষাটো ভাষাৰ তালিকাত এটা ক্ষুদ্ৰ ভাষাহে। হয়তো এদিন সোনকালেই অসমীয়া এটা বিপন্ন ভাষাও ঘোষিত হ'ব পাৰে। এই মুহূৰ্তত আনন্দ স্ফূৰ্তি কৰা লোকসকলে সেইটো কথা চাগে নাজানে। অসমীয়া ভাষাটো কিমান পুৰণি সেই কথা চিন্তা-চৰ্চা কৰি যি সকলে উলিয়াইছিল সেই সকল পণ্ডিত এতিয়া আমাৰ মাজত নাই।

আমি নিশ্চিত সেই সকলৰ নাম জনা অসমীয়া মানুহো বেছি নাই। অসমীয়া ভাষাটো ১৩শ বছৰ প্ৰাচীন বুলি অসমৰ ভাষাৰ পণ্ডিতসকলে প্ৰমাণ কৰি থৈ গৈছে। প্ৰয়াত ডিম্বেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ আদিযুগ ৮০০-১২০০ খৃ: বুলি কৈছিল। অসমীয়া ভাষাৰ উদ্ভৱৰ সম্পৰ্কে প্ৰথম মত দাঙি ধৰিছে— ভাষাবিদ ছাৰ জি. এ. গ্ৰীয়াৰ্ছন, ড° সুনীতি কুমাৰ চট্টোপাধ্যায়, ড° বাণীকান্ত কাকতি আদি পণ্ডিতসকলে। আজিৰ তাৰিখত এইসকল লোকৰ কথা কিমান জন মানুহে জানে?

অসমীয়া ভাষাটো শাস্ত্ৰীয় ভাষা হিচাপে স্বীকৃত হ'ল। এই সম্পৰ্কে অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে এটা ফেচবুক বক্তৃতা দিছে। মুখ্যমন্ত্ৰীৰ এই বক্তৃতাটোত ভালপোৱাৰ চিন দিয়া লোকৰ সংখ্যা এই লেখা লিখি থকাৰ দিনটোত পুৱালৈ ৩৬ হাজাৰ, মন্তব্য দিয়া লোকৰ সংখ্যা ১৭ হাজাৰ, বক্তৃতাটো প্ৰচাৰ কৰা লোকৰ সংখ্যা ৩ হাজাৰ আৰু বক্তৃতাটো শুনা লোকৰ সংখ্যা ৩ লাখ। তাৎপৰ্যপূৰ্ণ কথা যে অসমীয়া ভাষাটো ভাল পোৱা এই বৃহৎ সংখ্যক লোকৰ ভিতৰত সৰ্বাধিক লোকে মন্তব্য কৰিছে ইংৰাজী ভাষাত। তাৰ পিছত অসমীয়া হিন্দী আৰু বঙালী ভাষাত। অসমীয়াত মন্তব্য কৰা সকলৰ বেছিভাগে অভিনন্দন মামা আৰু জয় আই অসম বুলি লিখিছে। আমাৰ মনলৈ এটা প্ৰশ্ন আহিছে- অসমীয়া ভাষাটো শাস্ত্ৰীয় ভাষা কিয় আৰু কি কাৰণে হ'ল সেই কথাটো আজিৰ তাৰিখত কিমান অসমীয়াই জানে বা বুজি পায়।

ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে গঠন কৰি দিয়া এখন বিশেষ ভাষবিদসকলৰ কমিটিয়ে সময়ে সময়ে বহি নথি-পত্ৰ চাই মন্ত্ৰালয়ক পৰামৰ্শ দিয়ে। সেই মতে মন্ত্ৰালয়ে শাস্ত্ৰীয় ভাষা ঘোষণা কৰে। এইবাৰ ৫টা ভাষাক একেলগে শাস্ত্ৰীয় ভাষা হিচাপে ঘোষণা কৰিছে। ইয়াৰে পালি আৰু প্ৰাকৃত ভাষা প্ৰায় মৃত। এই ভাষা ব্যৱহাৰ কৰা মানুহৰ সংখ্যা তেনেই তাকৰ। বাংলা আৰু মাৰাঠী ভাষা-ভাষী মানুহৰ সংখ্যা বৃহৎ। কেৱল অসমীয়া ভাষা ব্যৱহাৰ কৰা মানুহৰ সংখ্যা দ্ৰুতগতিত কমিছে।

**(ফেচবুক পোষ্টৰ পৰা প্ৰকাশ কৰা হৈছে)**

# ধৰ্মান্তৰকৰণ! শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষৰ কোকৰাঝাৰ পৰিদৰ্শন

**ই-সংবাদ, কোকৰাঝাৰ, ৫ অক্টোবৰঃ** কোকৰাঝাৰ চহৰৰ পাৰ্শ্ববৰ্তী বৰো ভদেয়াগুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ওমৰ আলি শ্বেখে বিদ্যালয়তে একাধিক নাবালিকাক যৌন নিৰ্যাতন চলোৱা আৰু কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত দেৰীতোলাস্থিত মাউন্ট অলিভ নামৰ মিছনাৰী স্কুলত হিন্দু নাবালিকা ছোৱালীক ধৰ্মান্তকৰণৰ নামত মানসিক নিৰ্যাতন চলোৱা ঘটনা দুটাৰ তদন্ত কৰিবলৈ আজি ঘটনাস্থলী পৰিদৰ্শন কৰে অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ ডঃ শ্যামল প্ৰসাদ শইকীয়াই। শিশু আয়োগৰ অধ্যক্ষ ডঃ শ্যামল প্ৰসাদ শইকীয়াৰ নেতৃত্বত তিনিজনীয়া এটি দলে কালিৰে পৰা কোকৰাঝাৰত বাহৰ পাতি দুয়োটা ঘটনাৰ বুজ লয় আৰু আজি ঘটনাস্থলীত পৰিদৰ্শন কৰে। তদন্তৰ অন্তত শিশু আয়োগৰ অধ্যক্ষ ডঃ শ্যামল প্ৰসাদ শইকীয়াই কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষক পুস্পৰাজ সিঙক অতি ক্ষীপ্ৰতাৰে দুয়োটা ঘটনাৰ তদন্ত কৰি দোষীক উপযুক্ত শাস্তি দিবৰ কাৰণে নিৰ্দেশ দিয়ে। শিশু সুৰক্ষা আয়োগৰ অধ্যক্ষজনক সদস্যা মৌচুমী ব্ৰহ্ম আৰু ৰিলাঞ্জণা তালুকদাৰে সহযোগ কৰে। উল্লেখ্য যে, কোকৰাঝাৰ চহৰৰ পৰা দক্ষিণ দিশে প্ৰায় ছয় কিলোমিটাৰ নিলগৰ বৰো ভদেয়াগুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ওমৰ আলি



শ্বেখে (৫৮) চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ পাঁচ-ছয় গৰাকী ছাত্ৰীক প্ৰায়ে যৌন নিৰ্যাতন চলাই আহিছিল। ঘটনা সন্দৰ্ভত কোকৰাঝাৰ থানাত পস্ক' আইনৰ অধীনত ২২৩/২৪ নম্বৰত গোচৰ পঞ্জীয়ন হৈছে যদিও প্ৰধান শিক্ষক ওমৰ আলি শ্বেখ পলাতক অৱস্থাত আছে। আনহাতে যোৱা ৬ আৰু ৭ ছেপ্তেম্বৰত দেবীতোলাস্থিত মাউন্ট অলিভ নামৰ মিছনাৰী স্কুলত বিদ্যালয়ত ধৰ্মীয় সভাত(গছপেল) বিদ্যালয়খনৰ অধ্যক্ষ মিষ্টাৰ চি লালৰুৱাচাউগা, মিজোৰামৰ মিছনাৰী ধৰ্ম যাজক ক্ৰমে মিঃ লালহ্ৰীয়াতপুইয়া আৰু বেথচী লালৰীনচাউগীয়ে বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ পাঁচ গৰাকী নাবালিকা ছাত্ৰীক মাতি খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। আনকি খ্ৰীষ্টান যাজক সকলৰ মানসিক নিৰ্যাতনৰ ফলত ছাত্ৰী কেইগৰাকীক ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা পৰ্যন্ত কৰাবলগীয়া হয়। ঘটনা সন্দৰ্ভত যোৱা ২৪ ছেপ্তেম্বৰত কাজিগাঁও আৰক্ষী থানাত অভিভাৱকে এজাহাৰ দাখিল কৰাৰ পিছত আৰক্ষীয়ে ৩৮/২০২৪ নম্বৰত গোচৰ ৰুজু কৰিছে। উক্ত দুয়োটা ঘটনাতে কোকৰাঝাৰ আৰক্ষীয়ে যথোপযুক্ত গুৰুত্ব নিদিয়া বুলি অভিযোগ উত্থাপিত হৈছে আৰু আজি অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ ডঃ শ্যামল প্ৰসাদ শইকীয়াই কোকৰাঝাৰৰ উক্ত ঘটনাস্থলী পৰিদৰ্শন কৰাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীৰ মন্দিৰ নিৰ্মাণ কৰা

প্ৰক্ৰিয়াত মইমতালি দেখুওৱাৰ। কোথৰুড আৰু খাড়কৱাছলা সমষ্টিৰ বিজেপি বিধায়ক দুজনৰ বিৰুদ্ধে এনে অভিযোগ উত্থাপন হোৱাৰ সময়তে শিৱাজীনগৰ সমষ্টিৰ বিধায়কজনৰ বিৰুদ্ধে দলৰ পুৰণি কৰ্মীসকলক আওকান কৰাৰ অভিযোগেৰে দলত্যাগ কৰিছে কেইবাজনো বিজেপি নেতাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবে মন্দিৰ নিৰ্মাণ কৰি চৰ্চিত হোৱা বিজেপি নেতা ময়ূৰ মুণ্ডেয়েও ত্যাগ কৰিছে বিজেপি। উল্লেখ্য যে, ২০২১ চনত অউন্ধ অঞ্চলত প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতিমূৰ্তি স্থাপন কৰি এটা মন্দিৰ নিৰ্মাণ কৰিছিল শ্ৰী নমো ফাউণ্ডেশ্যনৰ সদস্য তথা বিজেপি নেতা ময়ূৰ মুণ্ডেয়ে। কিন্তু এতিয়া দলৰ ভিতৰত উপেক্ষিত হোৱাৰ অভিযোগ তুলি বিধানসভা নিৰ্বাচনৰ ঠিক পূৰ্বে বিজেপি ত্যাগ কৰিছে ময়ূৰে। শিৱাজীনগৰৰ বিজেপি বিধায়ক সিদ্ধাৰ্থ ছিৰোলৰ বিৰুদ্ধে দলীয় কৰ্মীক অৱহেলা কৰাৰ ৰাজহুৱা অভিযোগ আনে এইজন বিজেপি নেতাই। তেওঁ কয়, "মই বহু বছৰ ধৰি দলৰ নিষ্ঠাবান কৰ্মী হিচাপে কাম কৰি আহিছো। মই বিভিন্ন পদত নিষ্ঠাৰে দলৰ হৈ কাম কৰিছো। বিজেপিয়ে দলৰ পুৰণি কৰ্মীসকলক অৱহেলা কৰি আন দলৰ পৰা অহা লোকক গুৰুত্ব প্ৰদান কৰিছে।" তেওঁ অভিযোগ কৰে যে বৰ্তমানৰ বিধায়কসকলে নিজৰ সমৰ্থন বৃদ্ধিৰ বাবে বিভিন্ন পদত নতুন কৰ্মী নিযুক্তি দিয়াৰ লগতে পুৰণি দলীয় কৰ্মীসকলক কোনো বৈঠকলৈ আমন্ত্ৰণ নজনায়, তেওঁলোকৰ মতামতক আওকাণ কৰি আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত নকৰাকৈ অসন্মান কৰিছে। মুণ্ডেয়ে লগতে দাবী কৰে যে, "বৰ্তমানৰ বিধায়কজনে উন্নয়ন পুঁজি কেৱল অন্য দলৰ পৰা বিজেপিত যোগদান কৰা লোকৰ সমষ্টিৰ বাবে ব্যৱহাৰ কৰে, কিন্তু পুৰণি দলীয় কৰ্মীৰ সমষ্টিৰ বাবে নহয়।" আনহাতে বৰ্তমানৰ বিধায়কগৰাকীয়ে শিৱাজীনগৰৰ উন্নয়ন স্থবিৰ কৰি ৰাখিছে বুলিও অভিযোগ কৰে নেতাজনে। বিজেপি ত্যাগ কৰা সন্দৰ্ভত ৰাজহুৱা কৰি তেওঁ কয়, "মই দলৰ সকলো পদৰ পৰা পদত্যাগ কৰিছো। মই প্ৰধানমন্ত্ৰী মোদীৰ সমৰ্থক আৰু তেওঁৰ বাবে কাম কৰিছো, কিন্তু দলত আমাৰ দৰে লোকৰ বাবে কোনো স্থান নাই, গতিকে মই দল ত্যাগ কৰিছো।" তেওঁ পদত্যাগ পত্ৰৰ প্ৰতিলিপি প্ৰধানমন্ত্ৰী মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু নগৰৰ সভাপতিলৈ প্ৰেৰণ কৰা বুলিও কয়। উল্লেখ্য যে, আগন্তুক মহাৰাষ্ট্ৰ নিৰ্বাচনত কোডৰুডৰ পৰা প্ৰাৰ্থিত্ব বিচাৰিছিল ময়ূৰ মুণ্ডেয়ে। কিন্তু বিজেপিৰ ৰাজ্যিক নেতাসকলৰ পৰা উপেক্ষিত হোৱাৰ পিছতে দলৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ আনি পদত্যাগ কৰে এসময়ত মোদীক ভগৱান জ্ঞান কৰা ময়ূৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আপ অসমত নতুনকৈ ইভেণ্ট

সৃষ্টি কৰাত প্ৰতিক্ৰিয়াৰ যে সৃষ্টি হৈছে তেনে নহয়। ইভেণ্ট মেনেজমেণ্ট পদ দিয়া হৈছে বিগত লোকসভা নিৰ্বাচনত শোণিতপুৰ সংসদীয় সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ঋষিৰাজ কোণ্ডিন্যক। বিগত লোকসভা নিৰ্বাচনৰ এগৰাকী প্ৰাৰ্থীক ইভেণ্ট মেনেজমেণ্ট পদ দিয়া আপ অসমৰ ভিতৰচবাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, আপত তেনে কোনো পদবী নাই। কিন্তু অসমত তেনে এটা পদবী সৃষ্টি কৰি ঋষিৰাজ কোণ্ডিন্যক সেই পদবী প্ৰদান কৰি অপমান কৰা হৈছে। আপত মনোজ ধানোৱাৰ যুগ আৰম্ভ হোৱাৰ পাছতে এনেদৰে লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থী তথা দলটোৰ বাবে অসমত সৰ্বাধিক ধন খৰছ কৰা ঋষিৰাজ কোণ্ডিন্যক অপমান কৰা হৈছে। উল্লেখ্য যে, আজি আম আদমী পাৰ্টীৰ ৰাজ্যিক পূৰ্ণাংগ সমিতি ঘোষণা কৰা হৈছে। এই সমিতিত লোকসভা নিৰ্বাচনত শোণিতপুৰৰ প্ৰাৰ্থী ঋষিৰাজ কোণ্ডিন্যক ইভেণ্ট মেনেজমেণ্ট প্ৰদান কৰা হৈছে। দলটোৰ এটা সূত্ৰই উল্লেখ কৰা মতে, এই সমিতিত একাংশ লোকক জানি-বুজি যোগ্যতা অনুসৰি পদ দিয়া হোৱা নাই। কিন্তু দেহে-কেহে ভাল পোৱা বহু নেতাই উপযুক্ত পদ নাপালেও দলত থাকি কাম কৰি যাম বুলি কয়। আনহাতে, অসমত আম আদমী পাৰ্টীৰ সংগঠনৰ পৃষ্ঠপোষকতা কৰা বহু নেতা এতিয়া অস্তিত্বহীন হৈ পৰিল। বহু পুৰণি নেতাক এইবাৰৰ সমিতিৰ গঠনৰ পূৰ্বে খবৰে কৰা নহ'ল। মনোজ ধানোৱাৰে আপ অসমৰ ৰাজ্যিক সমিতিৰ দায়িত্ব গ্ৰহণৰ পাছতে আজি নতুন ৰাজ্যিক সমিতি গঠন কৰা হৈছে। উপ-সভাপতি পদ প্ৰদান কৰা হৈছে মামুন ইমদাদুল হক চৌধুৰী, সৌমিক সেনগুপ্ত আৰু অনুৰূপা ডেকাৰজাক। মনোজ ধানোৱাৰে নতুন সমিতিত প্ৰশাসনিক সাধাৰণ সম্পাদকৰ দায়িত্ব প্ৰদান কৰিছে ৰাজীৱ শইকীয়াক। প্ৰাক্তন এচিএছ পুনম গগৈক প্ৰদান কৰা হৈছে সাধাৰণ সম্পাদকৰ দায়িত্ব। মিডিয়া সমিতিৰ সমন্বয়ক কৰা হৈছে গুৰপ্ৰীত সিং উপ্পলক। মহিলা কোষৰ সভানেত্ৰী পদ প্ৰদান কৰা হৈছে ৱাৰ্ড সদস্য মাছুমা বেগমক। যুৱ শক্তিৰ দায়িত্ব লাভ কৰিছে ৰুদ্ৰাংকৰ হাজৰিকা। গৱেষণা কোষৰ দায়িত্ব প্ৰদান কৰা হৈছে লক্ষ্মীকান্ত ডুৱেক। প্ৰচাৰ সম্পাদক বিদ্যুৎৰঞ্জন ডেকা। কোষাধ্যক্ষৰ দায়িত্ব আকাশ কুলীক, আইটীৰ দায়িত্ব অম্লান হাতীবৰুৱাক আৰু দলীয় ইভেণ্ট তত্বাৱধায়কৰ দায়িত্ব ঋষিৰাজ কোণ্ডিন্যক প্ৰদান কৰা হৈছে। এই সমিতিত লবীবাজি আৰু নিজ গোটত বিভাজন হোৱাটো স্পষ্ট বুলিও কয় এটা সূত্ৰই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মেঘালয়ত বানত নিহত ১০

মেঘালয়ত। ৰাজ্যখনত হৰপা বানৰ কবলত নিহতৰ সংখ্যা ১০ জনলৈ বৃদ্ধি পাইছে। জানিব পৰা মতে, গাৰো পাহাৰৰ পশ্চিম অংশত সংঘটিত হৈছে ভূমিস্খলন। যাৰ ফলত ৰাজ্যখনৰ কেইবাখনো গাঁৱৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। উল্লেখ্য যে, ধাৰাসাৰ বৰষুণৰ পিছতে শুকুৰবাৰে পুৱা ভয়ংকৰ ভূমিস্খলন সংঘটিত হয় গাৰোপাৰৰ নিম্নাংশত অৱস্থিত ডালু গাঁৱত। এই ভূমিস্খলনত গাঁওখনৰ এটা অংশ সম্পূৰ্ণৰূপে ধ্বংস হৈ পৰাৰ লগতে বহু গাঁওবাসী মাটিৰ তলত পোত যায়। আনহাতে শনিবাৰলৈকে গাৰো পাহাৰৰ পশ্চিম আৰু দক্ষিণ অংশতো কেইবাটাও ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। একে সময়তে হৰপা বানেও ঠায়ে ঠায়ে বিভীষিকা নমাই অনাত এই ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগত ১০ জন লোকৰ মৃত্যুৰ উপৰি বহু লোক আহত হয়। অন্যহাতে, এই বানত কাঠেৰে নিৰ্মিত কেইবাখনো দলং উটি যোৱাৰ লগতে বহু পথ ক্ষতিগ্ৰস্ত হোৱাত একাধিক গাঁৱৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। শুকুৰবাৰে হৰপা বানৰ পিছতে বাঘমাৰী চহৰৰ পৰা ডালু গাঁওলৈকে এক বৃহৎ অংশৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰে। যাৰ ফলত উদ্ধাৰকাৰ্য স্থবিৰ হৈ পৰে। মেঘালয়ৰ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ কেইবাটাও দলে উদ্ধাৰ অভিযান চলাই আছে। স্থানীয় প্ৰশাসনৰ সূত্ৰ অনুসৰি গাৰো পাহাৰৰ পশ্চিমে থকা ঋষিপাৰা, হাৱাখানা, ছুইপাৰ কলনী, কামিপাৰা, ছানি হিলছ আদি অঞ্চল আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। ইফালে ৰাজ্যৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই শনিবাৰে পুৱা মেঘালয়ৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ তেওঁ বিভিন্ন জিলা প্ৰশাসনক প্ৰয়োজনীয় নিৰ্দেশনা দিয়ে। ক্ষয়-ক্ষতিৰ পৰিসৰ চৰকাৰী কাৰ্যালয়ক অৱগত কৰাৰ লগতে প্ৰয়োজনীয় সাহায্যৰ বাবে আৱেদন কৰিবলৈ জিলাকেইখনক কোৱা হৈছে। বানাক্ৰান্ত অঞ্চললৈ যাতে সাহায্য সামগ্ৰীসমূহ সুচাৰুৰূপে যোগান ধৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। জিলা প্ৰশাসনক ডালু-বাঘমাৰী অঞ্চলৰ সৈতে যোগাযোগৰ বাবে বিকল্প পথ বিচাৰি উলিয়াবলৈ কোৱা হৈছে। প্ৰয়োজন হ'লে অস্থায়ী পথ নিৰ্মাণ কৰিব লাগে বুলি কয় মুখ্যমন্ত্ৰীয়ে। প্ৰণিধানযোগ্য যে, বৃহস্পতিবাৰৰ মাজনিশাৰ পৰা মেঘালয়ত অব্যাহত আছে ধাৰাসাৰ বৃষ্টিপাত। পশ্চিম গাৰো পাহাৰ অঞ্চলত শুকুৰবাৰে বৰষুণ আৰু বান পৰিস্থিতিৰ বাবে তিনিজন আৰু দক্ষিণ গাৰোত আন ৭ জন লোকৰ মৃত্যু হোৱা বুলি স্থানীয় প্ৰশাসনে জানিবলৈ দিয়ে। এই দুৰ্যোগৰ কাৰণ হৈছে ভূমিস্খলন আৰু হৰপা বান। মৃতকৰ পৰিয়ালক ক্ষতিপূৰণ দিবলৈ জিলা প্ৰশাসনক প্ৰয়োজনীয় নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী কনৰাড চাংমাই। উল্লেখ্য যে, মেঘালয়ৰ ধাৰাসৰ বৰষুণৰ প্ৰভাৱ পৰিছে চুবুৰীয়া অসমতো। অসমৰ মানকাচৰ জিলাৰ বহু অঞ্চলত মেঘালয়ৰ পানীয়ে বান বিভীষিকা সৃষ্টি কৰাত কেইবাখনো গাঁও পানীত বুৰ গৈছে। ইতিমধ্যে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সাজু হৈছে প্ৰশাসন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যত হঠাৎ ‘জীৱন বিহীন’

সময়তে ৰাজ্যত চলি থকা এখন জনকল্যাণমূলক আঁচনিৰ ভয়ংকৰ দুৰ্নীতিৰ খবৰ পোহৰলৈ অহাত কেন্দ্ৰ চৰকাৰে কঠোৰ সিদ্ধান্ত ল’বলৈ বাধ্য হৈছে। প্ৰকাশিত খবৰ মতে কেন্দ্ৰীয় চৰকাৰে অসমত ৰূপায়ণ হৈ থকা উক্ত আঁচনিখনৰ সকলো কাম বন্ধ ৰখাৰ নিৰ্দেশ দিছে। এই আঁচনিখন হৈছে বহু চৰ্চিত জল জীৱন মিছন। ৰাজ্যৰ জল জীৱন মিছন আঁচনিৰ মিছন সঞ্চালকে কঠোৰ নিৰ্দেশ দি কয় যে ৫ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো আঁচনিৰ কাম বন্ধ ৰাখক। জানিব পৰা মতে, ৩ অক্টোবৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সকলো সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ সৈতে বিশেষ বৈঠক অনুষ্ঠিত কৰিছিল। এই বৈঠকত জল জীৱন মিছনৰ পৰিচালন সঞ্চালক, অতিৰিক্ত মুখ্য সচিব আদিও উপস্থিত আছিল। এই বৈঠকৰ পাছতে সঞ্চালকে কাম বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে। ইপিনে মিছন সঞ্চালকে সেই বৈঠকত কাৰ্যবাহী অভিযন্তাসকলক পুঁজি মোকলাই নিদিবলৈ নিৰ্দেশ দিয়ে। এটা সূত্ৰই দাবী কৰা মতে, ঠিকাদাৰে বিল বিচাৰি আদালতৰ কাষ চপাৰ পাছতে চৰকাৰে ঠিকাদাৰৰ ৰোষৰ পৰা ৰক্ষা পাবলৈ হঠাতে কাম বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। কাম বন্ধ ৰাখিছে যেতিয়া বিল আদায় দিয়াৰ কথাই নাহে। কিন্তু কিছু কিছু ঠিকাদাৰে ৱৰ্ক অৰ্ডাৰ লাভ কৰি ৮০ শতাংশ, ৯০ শতাংশ পৰ্যন্ত কাম সম্পূৰ্ণ কৰিছে। বিল সাজু কৰি দুৰ্গা পূজাৰ আগে-পিছে লাভ কৰিম বুলি আশা কৰি বৈ আছিল এইসকল ঠিকাদাৰ। চৰকাৰৰ এনে সিদ্ধান্তত কিন্তু ঠিকাদাৰৰ আশাত চেঁচাপানী পৰাই নহয় একপ্ৰকাৰ হাহাকাৰ লাগিছে। ইতিমধ্যে ঠিকাদাৰ সন্থাসমূহৰ এটা সূত্ৰই দাবী কৰা অনুযায়ী ৰাজ্য চৰকাৰে আনুমানিক ৩৭ হাজাৰ কোটি টকা ঠিকাদাৰক বিল আদায় দিবলৈ আছে। এই সন্দৰ্ভত একাংশ ঠিকাদাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে। আদালতে চৰকাৰক ভৎৰ্সনা কৰি ঠিকাদাৰক ধন কিয় আদায় দিব পৰা নাই তাকে লৈ প্ৰশ্ন কৰে। এই কাৰণেই জল জীৱন মিছনৰ কাম বন্ধ ৰখাৰ নিৰ্দেশ দিব পাৰে বুলি বিশ্বস্ত সূত্ৰটোৱে দাবী কৰিছে। ৩ অক্টোবৰতে মিছন সঞ্চালক কৈলাশ কাৰ্তিকে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুখ্য কাৰিকৰী অভিযন্তালৈ এখন পত্ৰ প্ৰদান কৰিছে। পত্ৰযোগে ঠিকাদাৰে সময়মতে কাম সম্পূৰ্ণ কৰিব পৰা নাই বুলি স্পষ্ট কৰে মিছন সঞ্চালকগৰাকীয়ে। আনহাতে, তদাৰকী তৃতীয় পক্ষই তদাৰক কৰাত গাফিলতি কৰাৰ কথাও উল্লেখ কৰা হৈছে। আঁচনিসমূহ পুনৰীক্ষণ কৰা হ’ব বুলিও স্পষ্ট কৰিছে সঞ্চালক কৈলাশ কাৰ্তিকে। এতিয়া প্ৰশ্ন হৈছে এই তদাৰকী তৃতীয় পক্ষ কোন? কলকাতাৰ ইন্টাৰটেক ইণ্ডিয়া, ব্যুৰ ভেৰিটাছ, হাৰিয়ানাৰ এগিছ ইণ্ডিয়া, মুম্বাইৰ ফিটবেক ইনফ্ৰা, গুৱাহাটীৰ বাপকছ লিমিটেডক তৃতীয় পক্ষ তথা কামৰ তদাৰক কৰাৰ দায়িত্ব দিয়া হৈছিল। এই অনুষ্ঠানকেইটাৰ কাম আছিল এয়াই যে তেওঁলোকৰ কাৰিকৰী বিশেষজ্ঞই অসমৰ জলজীৱন মিছনৰ অধীনত ৰূপায়িত হ’বলগীয়া আঁচিসমূহৰ কাৰিকৰী দিশ টনকিয়াল হৈছে নে নাই সেয়া পৰীক্ষা-নিৰীক্ষা কৰি একোখনকৈ আপত্তি বিহীন প্ৰমাণ পত্ৰ দিব। সেই পত্ৰ লাভ কৰিলেহে ঠিকাদাৰক বিল আদায় দিয়া হয়। এইখিনি কাম কৰি দিয়াৰ বাবে অনুষ্ঠানকেইটাক আদায় দিয়া হৈছে ১৬ কোটি টকা। কিন্তু অনুষ্ঠানকেইটাই কাম তদাৰকৰ নামত খামখেয়ালি আৰু গাফিলতি কৰিছে। যাৰ ফলত অসমৰ জল জীৱন মিছনৰ কামসমূহ অতি নিম্নমানৰ হয়। খবৰ লাভ কৰা মাত্ৰকে কেন্দ্ৰীয় চৰকাৰ অসমৰ চৰকাৰৰ বিৰুদ্ধে নাৰাজ হয়। কেন্দ্ৰীয় চৰকাৰৰ ধমক খাই ৰাজ্য চৰকাৰৰ বিভাগীয় মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ততাতৈয়াকৈ বৈঠক অনুষ্ঠিত কৰে। ৩ অক্টোবৰৰ মন্ত্ৰীৰ বৈঠকৰ পাছতে অসম চৰকাৰে কাম বন্ধ ৰাখিবলৈ কঠোৰ নিৰ্দেশ দিবলৈ বাধ্য হয়। চৰকাৰে কাম বন্ধ ৰখাৰ নিৰ্দেশ দিলেও ঠিকাদাৰসকলে ১০-১৫ শতাংশ কমিছন দি ঠিকা লৈ এতিয়া হাহাকাৰ কৰিবলগীয়া হৈছে। তাৰ লগতে ঠিকাদাৰসকলে ধন নোপোৱাতো খাটাং হৈ পৰিছে। ডাবোল ইঞ্জিন চৰকাৰৰ ইঞ্জিন এতিয়া এনেদৰেই বিকল হ’ব ধৰিছে। মোদী চৰকাৰে বাঃ বাঃ লৈ অহা জল জীৱন মিছন আঁচনিত ব্যাপক দুৰ্নীতি হোৱা বুলি অভিযোগ উত্থাপন হোৱাত কেন্দ্ৰ চৰকাৰে অসম চৰকাৰক কাম-কাজ বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্বচ্ছ, নিকা, প্ৰশাসনৰ কথা চিঞৰি থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত এই প্ৰশ্নৰ কি উত্তৰ আছে বুলি ভিন্নজনে প্ৰশ্ন কৰা দেখা গৈছে। জানিব পৰা মতে বহু ঠিকাদাৰে বিভিন্ন উৎসৰ পৰা ঋণ লৈ আগতীয়াকৈ মন্ত্ৰীক কমিছন দি ঠিকা লৈ কাম কৰিছিল যদিও অতিকমেও এবছৰলৈ সেই কামৰ বিল পোৱাৰ সম্ভাৱনা নাই। যিসকল ঠিকাদাৰে নিজাকৈ পুঁজি ব্যয় কৰি কাম কৰিছিল সেইসকলৰ পুঁজি বন্ধ হোৱাৰ বাবে এতিয়া কোন জগৰীয়া হ’ব সেই লৈয়ো চৰ্চা চলিছে। এনেদৰে এতিয়া অসমত একপ্ৰকাৰ জীৱন বিহীন হৈ পৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বপ্নৰ জল জীৱন মিছন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম! বিৰোধী ঐক্য মঞ্চ

আজি এই কথা সংবাদ মাধ্যমৰ আগত আনুষ্ঠানিকভাৱে সদৰী কৰে লুৰীণজ্যোতি গগৈয়ে। নতুন নামৰ কথা ঘোষণা কৰি গগৈয়ে কয়, " অসমৰ বিৰোধী ৰাজনৈতিক শক্তি আমি একত্ৰিত হৈ আছিলো। ঐক্যবদ্ধ হৈ আছিলো। সকলো বিৰোধী ৰাজনীতিৰ যিটো একত্ৰিত সত্বা সেইটোক আমি বিৰোধী ঐক্য মঞ্চ অসম হিচাপে ইতিমধ্যে ঘোষণা কৰিছিলো। কিন্তু শেহতীয়াকৈ সকলো দলে এই কথাটো আলোচনা কৰিছো। বিৰোধী ঐক্য মঞ্চৰ নামটো সলনি কৰাৰ প্ৰয়োজন। ২০২৬ চনত চৰকাৰ হ’ব। বিৰোধী ৰাজনৈতিক শক্তিৰ চৰকাৰ হোৱাটো এশ শতাংশ নিশ্চিত। তাৰ পূৰ্বানুমান ইতিমধ্যে ৰাইজে পাইছে। আহি থকা দিনসমূহত বিৰোধী শক্তিয়ে চৰকাৰ কৰিব। সেই কাৰণ আমি আমি মিত্ৰজোঁটৰ নাম সলনি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰো।’’ তেওঁ আৰু কয়, "সকলো দলৰ মাজত আলোচনা হোৱাৰ অন্তত সৰ্বসন্মতি ক্ৰমে বিৰোধী মিত্ৰজোঁটৰ নাম ‘অসম’ কৰিব বিচাৰিছো। সংক্ষেপতে ‘অসম’ যদিও বিস্তাৰিত ৰূপত ‘অসম সন্মিলিত মৰ্চা’ ৰূপে জনা যাব।’’ অসমৰ সুৰক্ষাৰ স্বাৰ্থত বিৰোধীৰ ঐক্যমঞ্চৰ নাম অসম কৰা হৈছে বুলিও সদৰী কৰে লুৰীণজ্যোতি গগৈয়ে। তেওঁ কয় যে মাটি, ভেটি, স্বাভিমান, অধিকাৰ, প্ৰতিটো জাতি, জনগোষ্ঠীৰ ভাষা, কৃষ্টি সংস্কৃতি সুৰক্ষিত কৰিবলৈ অসম সন্মিলিত মৰ্চা সংক্ষেপতে অসমে কাম কৰিব। এই অসম মৰ্চাই নতুন চিন্তা, নতুন উদ্যমেৰে কাম কৰি যাম। অসম মিত্ৰজোঁটে বিৰোধীৰ ভোট যাতে এটাও বিভাজিত নহয় তাৰ বাবে ঐক্যবদ্ধ যুঁজ দি বিজেপিক ওফৰাব বুলিও কয় নেতাজনে। উল্লেখ্য যে, ২০২৬ত বিৰোধী ঐক্য মঞ্চই যদিহে জয়ী হৈ চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হয় তেতিয়া বিৰোধী নামটো থাকিলে সেয়া ৰজিতা নাখাব। ফলত নাম সলনি কৰিবলগীয়াত পৰিব। নাম সলনি কৰিবলগীয়া হ’লে তেতিয়া জনসাধাৰণৰ মাজলৈ ভুল বাৰ্তা যাব বুলিয়েই আগতীয়াকৈ নাম সলনি কৰিবলৈ কেবাটাও সদস্য দলে পৰামৰ্শ আগবঢ়োৱাত সেয়া সলনি কৰিবলৈ সিদ্ধান্ত লোৱা হয়। নাম সন্দৰ্ভত কিছুদিন পূৰ্বে কেবাটাও দলৰ প্ৰতিনিধিৰ সৈতে সভাপতি ভূপেন বৰা আৰু সম্পাদক লুৰীণজ্যোতি বিশেষ বৈঠকত মিলিত হৈছিল। এই বৈঠকতে বিৰোধী ঐক্য মঞ্চৰ নতুন নাম সৰ্বভাৰতীয় পৰ্যায়ত থকা বিৰোধী মৰ্চাৰ 'ইণ্ডিয়া'ৰ আৰ্হিত ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সিদ্ধান্ত অনুযায়ী আজি নতুন নাম 'অসম সন্মিলিত মৰ্চা' ঘোষণা কৰা হয়। অসম সন্মিলিত মৰ্চাৰ সংক্ষিপ্ত ৰূপ ইংৰাজীৰ পৰিৱৰ্তে অসমীয়া ভাষামতেই ব্যৱহাৰ কৰিবলৈকো বিৰোধী দলসমূহে ঐক্যমতত উপনীত হৈছে। অসমীয়া ভাষাত অসম সন্মিলিত মৰ্চাৰ সংক্ষিপ্ত ৰূপ হয়গৈ 'অ.স.ম'। নিৰ্বাচনী প্ৰচাৰত মৰ্চাই 'অসম' নামেৰে প্ৰচাৰ কৰি শাসকীয় বিজেপি দলৰ বিৰুদ্ধে শক্তিশালী ৰূপত অৱতীৰ্ণ হ’বলৈ বিশেষ ৰণনীতি যুগুত কৰিছে বুলিও জানিব পৰা গৈছে। স্মৰ্তব্য যে, লোকসভা নিৰ্বাচনৰ পূৰ্বে ১৫টাকৈ বিৰোধী দল একত্ৰিত হয় গঠন কৰিছিল বিৰোধী ঐক্য মঞ্চ, অসম। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন কৰা হৈছিল এই মঞ্চ। পৰৱৰ্তী সময়ত সৰু-বৰ আন কেবাটাও দলে মঞ্চত যোগ দিয়াত ইয়াৰ অন্তৰ্গত দলৰ সংখ্যা ১৮টালৈ বৃদ্ধি পায়। সদ্যসমাপ্ত ১৪টা লোকসভা সমষ্টিত ঐক্য মঞ্চই মিশ্ৰিত একতাৰে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। ডিব্ৰুগড় সমষ্টিটো ঐক্য মঞ্চৰ সভাত হোৱা সিদ্ধান্তমৰ্মে কংগ্ৰেছে জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈক এৰি দিছিল যদিও আম আদমী পাৰ্টীয়ে শেষ মুহূৰ্তত মিত্ৰতাৰ ধৰ্ম পালন নকৰি নিজা প্ৰাৰ্থী অৱতীৰ্ণ কৰাইছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাৰিয়ানাত কংগ্ৰেছৰ চৰকাৰ!

পিছতে প্ৰকাশ পাইছে বিভিন্ন সংস্থাই প্ৰকাশ কৰা এক্সিট পল। লক্ষণীয় যে, জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাৰ বাবে প্ৰকাশ পোৱা এক্সিট পলত দুয়োখন ৰাজ্যতে কংগ্ৰেছ আৰু মিত্ৰজোঁটেই চৰকাৰ গঠন কৰাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। প্ৰত্যেকটো সংস্থাই প্ৰকাশ কৰা এক্সিট পল ভিন্ন হ'লেও সকলোৰে এক্সিট পলৰ শীৰ্ষত অধিষ্ঠিত হৈছে কংগ্ৰেছ পাৰ্টি। এক্সিট পল অনুসৰি হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনত এইবাৰ হেট্ৰিকৰ সপোন মষিমূৰ হৈছে বিজেপিৰ। ৰাজ্যখনৰ ভয়াবহ নিবনুৱা সমস্যা, মূল্যবৃদ্ধিৰ দৰে সমস্যাৰ লগতে ন্যায্য প্ৰাপ্তিৰ দাবীৰে কৃষকৰ আন্দোলন আৰু বিজেপি সাংসদ ব্ৰিজভূষণ চৰণ সিঙৰ বিৰুদ্ধে মল্লযুঁজাৰুৰ প্ৰতিবাদ এইবাৰৰ নিৰ্বাচনত গুৰুত্বপূৰ্ণ ইছ্যু পৰিগণিত হোৱা বুলি ইতিমধ্যে মন্তব্য কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে। একেদৰে জম্মু-কাশ্মীৰত সুদীৰ্ঘ দহ বছৰৰ পিছত অনুষ্ঠিত হোৱা নিৰ্বাচনত বিজেপিৰ বাবে কাৰ্যকৰী নহ'ল ৩৭০ প্ৰত্যাহাৰৰ মোদীৰ মাষ্টাৰষ্ট্ৰোক। আজি বিভিন্ন সংস্থাই প্ৰকাশ কৰা এক্সিট পলত কেন্দ্ৰীয় শাসিত প্ৰদেশখনত চৰকাৰ গঠনৰ নিৰ্দিষ্ট সীমাৰেখাৰ পৰা বহু পিছপৰি আছে বিজেপি। ইয়াৰ বিপৰীতে কংগ্ৰেছ আৰু নেশ্যনেল কংগ্ৰেছ পাৰ্টীয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিব বুলি প্ৰায় নিশ্চিত কৰা হৈছে। ৯০ খন আসনৰ বাবে অনুষ্ঠিত হোৱা জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনত চৰকাৰ গঠনৰ বাবে প্ৰয়োজন ৪৬ খন আসন। জম্মু-কাশ্মীৰত নিউজ এক্সৰ এক্সিট পলত কংগ্ৰেছ মিত্ৰজোঁটক ৪৪ খন আসন দিয়াৰ বিপৰীতে বিজেপিক প্ৰদান কৰা হৈছে ২৮ খন আসন। একেদৰে পিডিপিক ৭ খন আৰু অন্যান্যক ১১ খন আসন দিয়া হৈছে এই এক্সিট পলত। ইফালে দৈনিক ভাস্কৰে নিজৰ এক্সিট পলত কংগ্ৰেছ মিত্ৰজোঁটক ৩৫-৪০ খন আসন প্ৰদান কৰাৰ বিপৰীতে বিজেপিক প্ৰদান কৰিছে ২০-২৫ খন আসন। পিডিপিয়ে জম্মু-কাশ্মীৰত ৪-৭ খন আসন আৰু অন্যান্যই ১২-১৮ খন আসন লাভ কৰিব বুলি প্ৰকাশ কৰা হৈছে। দৈনিক ভাস্কৰৰ এক্সিট পল অনুসৰি জম্মু-কাশ্মীৰত এইবাৰ পিডিপিৰ মেহবুবা মুফতী কিংমেকাৰ পৰিগণিত হ'ব পাৰে। চি-ভোটাৰৰ এক্সিট পলত জম্মু-কাশ্মীৰত কংগ্ৰেছে ৪০-৪৮ খন আসন লাভ কৰিব বুলি দাবী কৰা হৈছে। এই সংস্থাৰ এক্সিট পল অনুসৰি প্ৰদেশখনত বিজেপিয়ে লাভ কৰিব ২৭-৩২ খন আসন আৰু পিডিপিয়ে লাভ কৰিব ৬-১২ খন আসন। অন্যান্য দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে লাভ কৰিব ৬-১১ খন আসন। পিপ'ল পালছে তেওঁলোকৰ এক্সিট পলত জম্মু-কাশ্মীৰত কংগ্ৰেছ আৰু নেশ্যনেল কংগ্ৰেছৰ মিত্ৰজোঁটে ৪৬-৫০ খন আসন লাভৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিজেপিয়ে ২৩-২৭ খন আসন, পিডিপিয়ে ৭-১১ খন আৰু অন্যান্যই ৪-৬ খন আসন লাভৰ সম্ভাৱনা প্ৰকাশ কৰা হৈছে। একেদৰে প্ৰদেশখনত কংগ্ৰেছ মিত্ৰজোঁটৰ চৰকাৰ গঠনৰ ইংগিত প্ৰদান কৰা হৈছে 'এক্সিছ মাই ইণ্ডিয়া'ৰ এক্সিট পলতো। অৱশ্যে কোনো দলক সংখ্যাগৰিষ্ঠতা প্ৰদান কৰা নাই তেওঁলোকে। এই এক্সিট পলত কংগ্ৰেজ মিত্ৰজোঁটক ৩৫-৪৫ খন, বিজেপিক ২৪-৩৪ খন, পিডিপিক ৪-৬ খন আৰু অন্যান্যক ৮-২৩ খন আসন প্ৰদান কৰা হৈছে। জম্মু-কাশ্মীৰৰ সমান্তৰালভাৱে বিভিন্ন এক্সিট পলত এই নিৰ্বাচনত হাৰিয়ানাটো দেখুওৱা হৈছে কংগ্ৰেছ ক্ষমতাধিষ্ঠ হোৱাৰ সম্ভাৱনা। এটা দশক ৰাজ্যখনৰ বিৰোধীৰ আসনত বহাৰ পিছত এইবাৰ প্ৰত্যাৱৰ্তন কৰিব পাৰে কংগ্ৰেছে। আনহাতে বিগত দুটা বিধানসভা নিৰ্বাচনত বিজয়ৰ ধ্বজা উৰুৱাই তৃতীয়বাৰৰ বাবে ক্ষমতাসীন হোৱাৰ পৰিকল্পনা কৰা বিজেপিৰ বাবে এইবাৰৰ নিৰ্বাচন হ'ব পাৰে এক দুঃস্বপ্ন সদৃশ। আজি ৰাজ্যখনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ পিছতে বিভিন্ন সংস্থাই প্ৰকাশ কৰা এক্সিট পলত প্ৰদান কৰা হৈছে তাৰেই ইংগিত। উল্লেখ্য যে, ৯০ খন বিধানসভা আসনবিশিষ্ট হাৰিয়ানাত চৰকাৰ গঠনৰ বাবে প্ৰয়োজন ৪৬ খন আসনৰ। দৈনিক ভাস্কৰে তেওঁলোকৰ এক্সিট পলত বিজেপিক ১৫-২৯ খন আসনহে প্ৰদান কৰিছে। ইয়াৰ বিপৰীতে দশক ধৰি বিৰোধীৰ আসনত বহা কংগ্ৰেছক প্ৰদান কৰিছে ৪৪-৫৪ খন আসন। জেজেপি আৰু আপক ০-১ খনকৈ, আইএনএলডিক ১-৫ খন, আৰু অন্যান্যক ৪-৯ খন আসন প্ৰদান কৰা হৈছে। ধ্ৰুৱ ৰিছাৰ্চৰ এক্সিট পলতো কংগ্ৰেছক ৫০-৬৪ খন আসন দি সংখ্যাগৰিষ্ঠতা প্ৰদান কৰাৰ বিপৰীতে বিজেপিক দিয়া হৈছে ২২-৩২ খন আসন। পি মাৰ্কৰ এক্সিট পলত বিজেপিক ২৭-৩৫ খন আৰু কংগ্ৰেছক ৫১-৬১ আসন দিয়া হৈছে। একেদৰে পিপ'ল পালছে ৰাজ্যকনত কংগ্ৰেছে ৪৯-৬১ খন, বিজেপিয়ে ২০-৩২ খন আৰু অন্যান্যই ৯ খন আসন লাভ কৰিব বুলি দাবী কৰিছে। ৰিপাব্লিক ভাৰত- মেট্ৰিজে তেওঁলোকৰ এক্সিট পলত কংগ্ৰেছে ৫৫-৬২ খন আসন পোৱাৰ বিপৰীতে বিজেপিয়ে ১৮-২৪ খন আৰু অন্যান্যই ৫-১৪ খন আসন লাভ কৰিব বুলি প্ৰকাশ কৰিছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল- এক্সিট পলেই অন্তিম পৰিণাম নহয়। শেহতীয়া লোকসভা নিৰ্বাচনৰ পূৰ্বে প্ৰকাশ কৰা এক্সিট পল আৰু নিৰ্বাচনৰ ফলাফলৰ মাজৰ বৃহৎ পাৰ্থক্যই ইতিমধ্যে জনমানসত এক্সিট পলৰ শুদ্ধতাক লৈ সন্দেহৰ সৃষ্টি কৰিছে। ২০২৪ৰ লোকসভা নিৰ্বাচনত প্ৰায় প্ৰতিটো এক্সিট পলে বিজেপি মিত্ৰজোঁটে ৪০০ আসন লাভ কৰিব বুলি দাবী কৰিছিল যদিও ফলাফলত বিজেপিয়ে অকলে সংখ্যাগৰিষ্ঠতা অৰ্জন কৰাটো ব্যৰ্থ হোৱা পৰিলক্ষিত হয়। এনে পৰিপ্ৰেক্ষিততে হাৰিয়ানা আৰু জম্মু-কাশ্মীৰৰ এক্সিট পলো সম্পূৰ্ণ বিশ্বাসযোগ্য নহয় বুলি মন্তব্য কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে। এই এক্সিট পল প্ৰকাশৰ পিছতে বিহাৰৰ উপ-মুখ্যমন্ত্ৰী বিজয় কুমাৰ সিনহাই কয় যে হাৰিয়ানাৰ জনসাধাৰণে সিদ্ধান্ত ল'ব যে ৰাজ্যখনক দেশক শক্তিশালী কৰা শক্তিৰ দ্বাৰা নেতৃত্ব দিয়া হয় নে ইয়াক দুৰ্বল কৰা শক্তিৰ দ্বাৰা কৰা হয়। তেওঁ কয়, "এয়া গণতন্ত্ৰৰ ভৱিষ্যৎ উৎসৱ। ৰাষ্ট্ৰক ভেঙুচালি কৰাসকল আগবাঢ়িব নে ৰাষ্ট্ৰক সবলীকৰণ কৰাসকল আগবাঢ়িব সেয়া জনসাধাৰণে নিৰ্বাচন কৰিব। ৰাষ্ট্ৰ আৰু ধৰ্মীয় শ্লোগানৰ জৰিয়তে তুষ্টিকৰণৰ আশ্ৰয় লোৱাসকলে আগবাঢ়ি যাব নে 'সবকা সাথ, সবকা'ৰ পক্ষত থিয় দিয়াসকল বিকাশৰ পথেৰে আগবাঢ়ি যাব। এই সিদ্ধান্ত ৰাইজে ল'ব।' ইফালে কংগ্ৰেছ নেতা তথা হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপিন্দৰ সিং হুডাই কয়, "আমি প্ৰচাৰ আৰম্ভ কৰাৰ পৰাই এই কথা কৈ আহিছো যে কংগ্ৰেছৰ সপক্ষে লহৰ আছে। কংগ্ৰেছে চৰকাৰ গঠন কৰিব। আমাৰ বৃহৎ সংখ্যাগৰিষ্ঠতা লাভৰ মূল কাৰক হ'ল ২০০৫-২০১৪ চনলৈ আমাৰ চৰকাৰৰ কৃতিত্ব আৰু ২০১৪-২০২৪ চনলৈ যোৱা এটা দশকত বিজেপি চৰকাৰৰ ব্যৰ্থতা-দুৰ্নীতি। চৰকাৰ গঠন হ'লেই আমি নিবনুৱা সমস্যা, শিক্ষাক লৈ কাম কৰিম।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জুবিন গাৰ্গৰ ধ্ৰুপদী ক্ৰোধ

উল্লেখ্য যে, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান কৰাত সাহিত্য সভাকে ধৰি বিভিন্ন জাতীয় সংস্থাই ভাৰত চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনাইছে। তেনে সময়ত জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গক সম্পূৰ্ণ ৰূপে বিপৰীত দেখা গৈছে। অসমীয়া ভাষাৰ স্বীকৃতিত অসন্তুষ্ট দেখা যায় জুবিনক। জুবিন গাৰ্গৰ মতে অসমীয়া ভাষাক স্বীকৃতিৰ দৰকাৰ নাই। ভাৰতত এটাই ধ্ৰুপদী ভাষা। সেইটো সংস্কৃত ভাষাহে। অসমীয়া ভাষাক স্বীকৃতি দিবলৈ কি আছে। লগতে ভাৰত চৰকাৰে আমাক কি দিছে বুলি প্ৰশ্ন কৰি গাৰ্গে কয় যে আমি তেল দি আছো, চাহ দি আছো। গঁড় দি আছো। জুবিন গাৰ্গ দি আছো। গুৱাহাটীৰ এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত ইয়াক লৈ সাংবাদিকে গাৰ্গক প্ৰশ্ন কৰিছিল। প্ৰশ্ন শুনি খঙত অগ্নিশৰ্মা হৈ পৰে জুবিন। খঙৰ ভমকত টেবুলত ঢকিয়াই ঢকিয়াই প্ৰশ্নৰ উত্তৰ দি জুবিন গাৰ্গে স্পষ্টকৈ কয় যে ভাৰত চৰকাৰে আমাক কি স্বীকৃতি দিব। আমিহে ভাৰত চৰকাৰক সকলো দি আছো। আনহাতে, বিজেপিয়ে উভতি ধৰিছে জুবিনক। জুবিন গাৰ্গৰ মন্তব্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে বিধায়ক ৰূপক শৰ্মাই। এয়া জুবিন গাৰ্গৰ সম্পূৰ্ণ ব্যক্তিগত মন্তব্য বুলি কৈ শৰ্মাই কয় যে অসমীয়া ভাষাক ধ্ৰুপদীৰ মৰ্যাদা প্ৰদানক লৈ জুবিন গাৰ্গৰ মন্তব্য অসমৰ ৰাইজৰ মন্তব্য নহয়। শনিবাৰে এখন সংবাদমেলত অসম চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে বিধায়ক ৰূপক শৰ্মাই কয় যে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাত অসমীয়া ভাষাই কিদৰে প্ৰযুক্তিৰ সৈতে আগুৱাই যোৱাত সহায়ক হ'ব তাৰো বিশ্লেষণ কৰে। বিশেষকৈ অসমীয়া ভাষাৰ ভৱিষ্যতক লৈ বহু সময়ত বিভিন্নজনে শংকা প্ৰকাশ কৰি আহিছে। এতিয়াৰ পৰা সেই শংকা নোহোৱা হ'ব বুলি আশা ব্যক্ত কৰিছে ভিন্নজনে। উল্লেখ্যে যে সময়ে সময়ে জুবিনে চৰকাৰক এনেকৈ সমালোচনা কৰি আহিছে। মাজে মাজে জুবিনে আকৌ চৰকাৰক প্ৰশংসাও কৰি আহিছে।

# ৰঙিয়াত নিশা দুখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰিকাণ্ড

**ই-সংবাদ, ৰঙিয়া, ৫ অক্টোবৰঃ** ৰঙিয়াৰ তৰণীস্থিত বৈদ্যগড় গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সংলগ্ন দুখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠানত যোৱা নিশা চুৰিকাণ্ড সংঘটিত হয়। স্থানীয় যুৱ ব্যৱসায়ী অজয় ৰাজবংশী আৰু সোমনাথ দাসৰ ব্যৱসায়িক প্ৰতিষ্ঠানত নিশাৰ অন্ধকাৰৰ সুযোগ লৈ দৰ্জা ভাঙি চোৰে লুটপাত চলায়। চোৰে অজয় ৰাজবংশীৰ টেন্টৰ মূল্যবান সামগ্ৰী আৰু সোমনাথ দাসৰ গেলামাল, চাইকেল মেৰামতি কৰা বিভিন্ন সামগ্ৰীকে ধৰি প্ৰায় লক্ষাধিক মূল্যৰ সামগ্ৰী লুট কৰি নিয়ে। ভুক্তভোগী দুই ব্যৱসায়ীয়ে তুলসীবাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰাত দিনৰ ভাগত ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰে। অঞ্চলটোত বৰ্দ্ধিত চুৰিকাণ্ডক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বৈদ্যগড় আঞ্চলিক ছাত্ৰ সন্থাই। সংগঠনটোৰ উপদেষ্টা তথা কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি গোলোক ৰাজবংশী আৰু সম্পাদক নৱজিৎ কলিতাই শীঘ্ৰে চুৰিকাণ্ডত জড়িতক আটক কৰি চোৰৰ সন্ত্ৰাস মুক্ত কৰাৰ বাবে প্ৰশাসনক দাবী জনায়।




**অসমৰ শিক্ষা ব্যৱস্থা ধ্বংস কৰিবলৈ এৰি দিয়া নহ'ব বুলি হুংকাৰ দি গুৱাহাটীত এছএফআইৰ প্ৰতিবাদী সমদল**

## ঘটনাক লৈ সৰ্বত্ৰে চাঞ্চল্য

# পুত্ৰৰ হাতত ডিব্ৰুগড়ত প্ৰাণ গ'ল মাতৃৰ

**ই-সংবাদ, ডিব্ৰুগড় , ৫ অক্টোবৰঃ** ৰাজ্যত পুনৰ সংঘটিত হৈছে নৃশংস কাণ্ড। এইবাৰ পুত্ৰৰ হাতত প্ৰাণ গৈছে মাতৃৰ। নিজ ঘৰৰ ভিতৰত পুত্ৰই নিজ মাতৃক হত্যা কৰাৰ অভিযোগ উঠিছে। ঘটনা সংঘটিত হৈছে ডিব্ৰুগড় জিলাৰ বাণীপুৰৰ ১১নং বাইলেনত। মাতৃক হত্যাৰ অভিযুক্ত উত্থাপিত পুত্ৰ শংকৰজ্যোতি গগৈক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। শুকুৰবাৰে নিশা শংকৰজ্যোতি গগৈয়ে মাতৃ পূৰ্ণিমা গগৈক হত্যা কৰাৰ সন্দেহ কৰা হৈছে। আৰক্ষীয়ে হত্যাকাণ্ডৰ তদন্ত অব্যাহত ৰাখিছে। জানিব পৰা মতে, শুকুৰবাৰে নিশা পূৰ্ণিমা গগৈৰ মৃতদেহ ঘৰৰ ভিতৰত উদ্ধাৰ হয়। তাৰ পাছতে পুত্ৰই মাতৃক হত্যা কৰাৰ সন্দেহ কৰে ৰাইজে। মৃতদেহ উদ্ধাৰৰ পাছতে মাতৃক ডিঙি চেপি হত্যা কৰাৰ সন্দেহ কৰে স্থানীয় লোকে। তাৰ পাছতে ঘটনাৰ তদন্ত আৰম্ভ কৰি গাভৰুপথাৰ আৰক্ষীয়ে জিম্মাত লয় পুত্ৰ শংকৰজ্যোতিক। গাভৰুপথাৰ আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। বাণীপুৰৰ নৃশংস কাণ্ডই সমগ্ৰ ডিব্ৰুগড় জিলাত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# গোৱালপাৰাত নিয়াৰ আচম্বিত অভিযান, জালত পৰিল ১২ জনকৈ সন্দেহজনক লোক

**ই-সংবাদ, গোৱালপাৰা, ৫ অক্টোবৰঃ** ২০২৬ চনত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে অসমৰ ৰাজনীতিত হিন্দু-মুছলমান, মিঞাৰ প্ৰৱেশ ঘটিছে। শেহতীয়াকৈ নিৰ্দিষ্ট ধৰ্মৰ লোকক লৈ ৰাজনীতি চলি থকাৰ সময়তে এইবাৰ অসমত ধৰা পৰিছে মৌলবাদী। গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত সন্দেহজনক লোক ধৰা পৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা চমুকৈ নিয়া আৰু অসম আৰক্ষীয়ে যুটীয়া অভিযান চলাই ১২ জন সন্দেহজনক লোকক আটক কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, বিভিন্ন ঠাইত উচ্ছেদ অভিযান চলাই থকাৰ সময়তে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা আৰু অসম আৰক্ষীয়ে হোজাই জিলাত অভিযান চলাই দুজন লোকক গ্ৰেপ্তাৰ কৰি 'জইচ-ই-মহম্মদ' নামৰ নিষিদ্ধ সংগঠনৰ সদস্য বুলি দাবী কৰিছিল। হোজাইত গ্ৰেপ্তাৰ হোৱা দুই যুৱকৰ স্বীকাৰোক্তিত গোৱালপাৰাত অভিযান চলে। গোৱালপাৰাৰ অসম-মেঘালয়



সীমান্তৰ কৃষ্ণাই, বলবলা, মেন্দিপথাৰ আৰু টুকুৰাত অভিযান চলোৱাত ১২ জনকৈ লোকক সোধা-পোছাৰ বাবে আটক কৰে। গোৱালপাৰা আৰক্ষী ছাউনিত ৰাখি ১২ জন লোকক জেৰা কৰি থকা বুলি জানিব পৰা গৈছে। ৫০টাতকৈ অধিক পৰিয়ালত অভিযান চলাইছিল নিয়াই। ১২টা বাসগৃহৰ পৰা ১২ জনকৈ লোকক আটক কৰা হয়। আটক কৰা এজন লোক ছালাউদ্দিন বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰৰ স্বত্বাধিকাৰী বুলি জানিব পৰা গৈছে। ছালাউদ্দিনৰ গ্ৰাহক সেৱা কেন্দ্ৰৰ পৰা ধনৰ লেনদেন কৰিছিল আটক হোৱা লোককেইজনে। ধনৰ লেনদেনৰ ভিত্তিত নিয়াই ১২৩জন লোকক আটক কৰাৰ সন্দেহ কৰা হৈছে। ইয়াকে লৈ মুখ্যমন্ত্ৰীয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি সাংবাদিকৰ সৈতে মুখামুখি হৈ মুখ্যমন্ত্ৰীয়ে কয় অসমত যে মৌলবাদীৰ পৰা প্ৰত্যাহ্বান আছে সেয়া সত্য। আমি এই কথা ক'লে মানুহে উপলুঙা কৰে। কিন্তু আমি কোৱা কথা প্ৰমাণ হৈ আহিছে। যেতিয়াই নিয়াই মৌলবাদীৰ বিৰুদ্ধে দেশজুৰি অভিযান চলাই তেতিয়াই অসমৰ পৰা এজন ধৰা পৰে। অসমত মৌলবাদী শক্তি সোমাই আছে আৰু আমি সাৰধান হোৱাৰ প্ৰয়োজন আছে। শেহতীয়াকৈ সোণপুৰৰ কচুতলিত উচ্ছেদৰ প্ৰসংগ টানি আনি মুখ্যমন্ত্ৰীয়ে কয় যে সেই উচ্ছেদৰ বিৰোধিতা কৰা যিসকলে শ্ল'গান দিছিল তাৰেই লোকক নিয়াই গ্ৰেপ্তাৰ কৰিছে। তাৰ পৰা প্ৰমাণ হয় যে অসমত মৌলবাদৰ বাবে খিলঞ্জীয়া বিপদত পৰিব।

# কাঠৰ প্ৰতিমা পুৰণিগুদামত ১৪০ সংখ্যক দুৰ্গাপূজা

**ই-সংবাদ, পুৰণিগুদাম, ৫ অক্টোবৰঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ ঐতিহ্য আৰু সাংস্কৃতিক সম্পদৰ মাজত উজ্বল হৈ জিলিকি থকাৰ লগতে ইতিমধ্যে এশ বছৰ অতিক্ৰমি ইতিহাস ৰচনা কৰা কাঠৰ দুৰ্গা প্ৰতিমাখনিত বিগত বছৰবোৰৰ দৰে এইবছৰো শ্ৰীশ্ৰী দুৰ্গাপূজা আৰু উৎসৱ আয়োজনৰ প্ৰস্তুতি চলিছে। নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ স্থায়ী পূজা মন্দিৰত অহা ৮ অক্টোবৰৰ পৰা ১২ অক্টোবৰলৈ শ্ৰীশ্ৰীদুৰ্গা পূজা আৰু উৎসৱ অনুষ্ঠিত হ'ব। পুৰণিগুদামৰ অমৰ শিল্পী লেৰেলা খনিকৰ ওৰফে লেশধৰ শৰ্মাই অস্থায়ী মৃন্ময় দুৰ্গা প্ৰতিমাৰ সলনি ১৯০১ চনতে নিৰ্মাণ কৰা স্থায়ী কাঠৰ প্ৰতিমাই ২০২৪ বৰ্ষত ভৰি দিছেহি গৌৰৱোজ্বল ১২৩ তম্ বৰ্ষত আৰু ১৮৮৪ চনৰ পৰা উদযাপন কৰি অহা এই দুৰ্গা পূজাই ভৰি থৈছেহি ১৪০ তম বৰ্ষত। পুৰণিগুদামৰ ৰাইজৰ সহযোগত দুৰ্গা উৎসৱ উদযাপন সমিতিয়ে এই কাঠৰ প্ৰতিমা সযত্নে সংৰক্ষণ কৰি পূজা অনুষ্ঠিত কৰি আহিছে।কাৰ্যসূচী অনুসৰি ৮ অক্টোবৰত শ্ৰীশ্ৰী শাৰদীয় দুৰ্গাদেৱীৰ দেৱীৰ বোধন, ৯ অক্টোবৰৰ বিয়লি পাঁচ বজাত জলযাত্ৰা আৰু বিল্ব বৃক্ষ ৰোপণ, পুৱা ৭-২৯ বজাত দেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ আমন্ত্ৰণ আৰু অধিবাস। ১০ অক্টোবৰৰ পুৱা ৭-২২ বজাত সপ্তমী পূজা নৱপ্ৰতিকা প্ৰৱেশ স্থাপন সপ্তমী বিহিত পূজা। ১১ অক্টোবৰৰ পুৱা ৬-৪৫ বজাত মহাষ্টমী বিহিত পূজা আৰম্ভ। ইয়াৰ পাছতে সন্ধি পূজা,নৱমী বিহিত পূজা, কুমাৰী পূজা আৰু হোম। নৱমী পূজা ৫-৪১ বজালৈ। ১২ অক্টোবৰৰ পুৱা ৬-৫৭ বজাৰ পৰা দেৱীৰ দশমী বিহিত পূজা আৰু বিসৰ্জন, অপৰাজিতা পূজা, বলয় ধাৰণ, মহাশান্তি আশংসা নিৰ্মালী প্ৰদান।উল্লেখযোগ্য যে, এই দুৰ্গাপূজা মণ্ডপতেই ১৬ অক্টোবৰত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। দুৰ্গাপূজা ভাগ পৰিচালনাৰ বাবে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক মুখ্য উপদেষ্টা, কুমুদ শৰ্মাক সভাপতিক, যোগেন্দ্ৰ শৰ্মা, প্ৰফুল্ল শইকীয়া আৰু জ্যোতিৰ্ময় গোস্বামীক উপ-সভাপতি, অতনু খাউণ্ডক সম্পাদক, ৰাতুল শৰ্মা, প্ৰাঞ্জল কটকী, জ্যোতিষ্মান শৰ্মা আৰু যুগান্তৰ কাশ্যপক সহঃসম্পাদক আৰু বৰুৱা, মিন্টু শৰ্মা,ডাঃ বিকাশ হাজৰিকা, প্ৰদীপ হাজৰিকা, উপদেষ্টা ৰূপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হৈছে।

### ধেমালিতে কৰা কামে এতিয়া উত্থাপন কৰিছে বহু প্ৰশ্নৰ

# গৈ থকা ৰে'ল বৈ গ'লে ভাল লাগে বাবেই দলিয়াইছিল শিলগুটি

**নতুন দিল্লী, ৫ অক্টোবৰঃ** তীব্ৰ বেগে গৈ থকা ৰে'লখন ৰখাই মনৰ সন্তুষ্টি পূৰণ কৰিবলৈকে ৰে'লখনলৈ শিলগুটি দলিয়াইছিল এজন যুৱকে। শেহতীয়াকৈ বন্দে ভাৰত এক্সপ্ৰেছত শিলগুটি দলিওৱা এক ঘটনাৰ তদন্তৰ সময়তে আৰক্ষীৰ জেৰাত এই মন্তব্য কৰি সকলোকে হতভম্ব কৰে অভিযুক্তই। উল্লেখ্য যে, ভাৰতত ৰে'ল বা অন্য বাহনলৈ শিলগুটি নিক্ষেপ কৰাটো তেনেই এক সাধাৰণ কথা। দেশৰ ভিন্ন প্ৰান্তত প্ৰায়ে সংঘটিত হোৱা এনে ঘটনাৰ মাজতে শেহতীয়াকৈ উত্তৰ প্ৰদেশৰ কানপুৰতো বন্দে ভাৰত ৰে'লত শিলগুটি দলিওৱাৰ এক ঘটনা সংঘটিত হয়। ৰে'লৱেৰ সূত্ৰ অনুসৰি, ২ অক্টোবৰত কানপুৰৰ সমীপৰ পাংকি ষ্টেচনৰ কাষত বাৰাণসীৰ পৰা দিল্লীলৈ গৈ থকা বন্দে ভাৰত ৰে'লখনত শিলাক্ৰমণ সংঘটিত হয়। বাহিৰৰ পৰা দলিওৱা এটা শিলগুটিয়ে প্ৰিমিয়াম শ্ৰেণীৰ ৰে'লখনৰ চি-৭ কোচৰ খিৰিকীৰ ক্ষতিসাধন কৰাত আতংকিত হৈ পৰে যাত্ৰীসকল। এই ঘটনাৰ পিছতে উত্তৰ প্ৰদেশ আৰক্ষীৰ এ টি এছে ঘটনাৰ তদন্ত কৰি আটক কৰে এজন অভিযুক্তক। কিন্তু অভিযুক্ত যুৱকজনক চলোৱা জেৰাৰ সময়ত তেওঁৰ উত্তৰ শুনি হতভম্ব হৈ পৰে সকলো। আৰক্ষীৰ মতে, ৰে'লখনলৈ কিয় তেওঁ শিলগুটি দলিয়াইছিল বুলি সোধা প্ৰশ্নৰ উত্তৰত অভিযুক্তই কয় যে তেওঁ চলন্ত ৰে'লৰ খিৰিকীৰ আইনা ভাঙি ভাল পায় আৰু দ্ৰুতবেগত গৈ থকা ৰে'ল ৰখাই ভাল পোৱাৰ বাবেই এই কাণ্ড সংঘটিত কৰিছিল। অভিযুক্তজনৰ এনে স্বীকাৰোক্তিয়ে হাঁহিৰ খোৰাক জগালেও অৱশ্যে ভাৰতত মানুহে কেৱল ধেমালিৰ বাবেই এনেদৰে শিল দলিয়াই ৰাজহুৱা সম্পত্তিৰ ক্ষতিসাধন কৰে নেকি বুলি প্ৰশ্নৰ উত্থাপন হৈছে।



নগৰীয়া জীৱিকা অভিযানৰ অধীনত বঙাইগাঁও দৈনিক বজাৰত 'খাও গলি' উদ্বোধন

# মৰিগাঁৱত বিদ্যুৎ বিভাগৰ বিৰুদ্ধে আছুৰ বিক্ষোভ কাৰ্যসূচী

**ই-সংবাদ, মৰিগাওঁ, ৫ অক্টোবৰঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি বিদ্যুৎ বিভাগৰ বিৰুদ্ধে মৰিগাঁৱত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰে।বিদ্যুৎ বিভাগৰ স্মাৰ্ট মিটাৰৰ আতিশয্য, সঘনাই বিদ্যুতৰ মাচুল বৃদ্ধি আৰু প্ৰয়োজনীয় বিদুৎ যোগান ধৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ প্ৰতিবাদত ৰূপায়ন কৰা এই বিক্ষোভ কাৰ্যসূচীৰ নেতৃত্ব দিয়ে মৰিগাঁও জিলা আছুৰ সভাপতি দিপুল কুমাৰ নাথ আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দিব্যজ্যোতি চৌধুৰীয়ে। মৰিগাঁও গান্ধী ভৱন প্ৰাংগণত ৰূপায়িত এই কাৰ্যসূচীত শতাধিক আছু কৰ্মীয়ে অংশগ্ৰহণ কৰি অসম চৰকাৰ শক্তি বিভাগ কাম নাই, বিদ্যুতৰ মাচুল হ্ৰাস কৰক, স্মাৰ্ট মিটাৰৰ আতিশয্য মানি লোৱা নহব, বিদুতৰ সঘন লুকা ভাকু বন্ধ কৰক আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধি, মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অংকুৰ ডেকা, সদৰ ছাত্ৰ সন্থাৰ সভাপতি ঘনেন্দ্ৰ বৰা আৰু সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি বৰ্মনকে ধৰি ছাত্ৰ সন্থাৰ জিলা আৰু সদৰ সমিতিৰ কৰ্মী সকল উপস্থিত থাকে।

## উপস্থিত থাকিল কেবিনেট মন্ত্ৰী পীয়ুষ হাজৰিকা

# জাগীৰোড আৰু লাহৰীঘাটত সম জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন

**ই-সংবাদ, মৰিগাওঁ, ৫ অক্টোবৰঃ** অসম চৰকাৰৰ বিকেন্দ্ৰীকৃত শাসন ব্যৱস্থাৰ এক পদক্ষেপ হিচাপে আজি জাগীৰোড আৰু লাহৰীঘাট অঞ্চলত সম জিলাৰ আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা, সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ মন্ত্ৰী পীয়ুষ হাজৰিকাই জাগীৰোডৰ কাৰ্যালয় উদ্বোধন কৰে।মন্ত্ৰীগৰাকীয়ে এই পদক্ষেপক প্ৰশংসা কৰি কয় যে, এই সম জিলাখনে শাসনৰ এক নতুন যুগৰ সূচনা কৰিব, ৰাজহুৱা সেৱাৰ সুবিধা সমূহ সময়মতে নিশ্চিত কৰিব আৰু সৰ্বাংগীন উন্নয়নক লাভান্বিত কৰিব। এই অনুষ্ঠাৰ অন্ত পৰাৰ পিছত অসম চৰকাৰৰ পৰিবহন, মীন, আবকাৰী, বিজ্ঞান আৰু প্ৰযুক্তি, জলবায়ু পৰিবৰ্ত্তন বিভাগ তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই লাহৰীঘাট কাৰ্যালয়ৰ শুভাৰম্ভ কৰে। তেওঁ নিজৰ বক্তব্যত প্ৰকাশ কৰে যে এই সম জিলাখনে অঞ্চলটোৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব, অৰ্থনৈতিক বৃদ্ধি, সামাজিক ন্যায়, আৰু সবলীকৰণক প্ৰসাৰিত কৰিব। তদুপৰি উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এই পদক্ষেপক প্ৰশংসা কৰি নতুন সম জিলা কাৰ্যালয়স মূহে জাগীৰোড আৰু লাহৰীঘাট অঞ্চলত অধিক সুশৃংখলিত আৰু ফলপ্ৰসূ শাসনৰ আৰম্ভণি কৰিব বুলি বিশ্বাস প্ৰকাশ কৰে।আজিৰ এই অনুষ্ঠানত স্থানীয় বিধায়ক ৰমাকান্ত দেউৰী, লাহৰীঘাট সমষ্টিৰ বিধায়ক আছিফ ম: নাজাৰ,তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস ,জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত আয়ুক্তসকল, বিভিন্ন বিভাগৰ বিষয়া সকলৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা স্থানীয় লোক সকল উপস্থিত আছিল।



সম জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন মন্ত্ৰী পীয়ুষৰ

# স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবীত ৰাজ্যজুৰি আছুৰ উত্তাল প্ৰতিবাদ

**ই-সংবাদ, গোলাঘাট, ৫ অক্টোবৰঃ** আজি ৰাজ্যজুৰি সদৌ অসম ছাত্ৰ সন্থাই স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আটাইকেইখন জিলাৰ সদৰ, মহকুমা সদৰত স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবীত আছুৱে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ইপিনে গোলাঘাট জিলা ছাত্ৰ সন্থাই গোলাঘাট চহৰৰ মাজমজিয়াত প্ৰতিবাদ সাবস্ত কৰে। স্মাৰ্ট মিটাৰে ৰাইজক জ্বলাকলা খুওৱাৰ অভিযোগ আনি স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰাৰ দাবী জনাই গোলাঘাট জিলা ছাত্ৰ সন্থাই। আছুৰ কাৰ্যালয়ৰ পৰা গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়লৈ সমদল কৰে। প্ৰতিবাদী সমদলত আছুৰ উপ-সভাপতি অভিৰৰ্তন গোস্বামী, গোলাঘাট জিলাৰ আছুৰ সভাপতি মিণ্টু গগৈ উপস্থিত থাকে। বৰ্তমান খাদ্য-সামগ্ৰীৰ লগতে স্মাৰ্ট মিটাৰ ডকাইতি কৰিছে বুলি অভিযোগ আনে। এয়া স্মাৰ্ট মিচাৰ নহয় ডকাইত মিটাৰে বুলি কয় আছুৱে। সোনকালে এই মিটাৰ বন্ধ নকৰিলে জংগী আন্দোলন কৰাৰ হুংকাৰ দিয়ে আছুৱে।

## পাব সকলো সুবিধা!

# লাহৰীঘাটত সম-জিলাৰ কাৰ্যালয় উদ্বোধন মন্ত্ৰী কেশৱ মহন্তৰ

**ই-সংবাদ, লাহৰীঘাট, ৫ অক্টোবৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি সম-জিলাৰ কাৰ্যালয় উদ্বোধন কৰা হয়। প্ৰশাসনক তৃণমূল পৰ্যাযলৈ নিয়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰে পোন প্ৰথমবাৰ সম-জিলা গঠন কৰাৰ সিদ্ধান্ত লয়। প্ৰথম পৰ্যায়ত গঠন হোৱা ৩৯ খন সম-জিলাৰ ভিতৰত লাহৰীঘাট সম-জিলাও এখন। ৫ অক্টোবৰত লাহৰীঘাট সম-জিলাৰ কাৰ্যালয় উদ্বোধন কৰে মন্ত্ৰী কেশৱ মহন্তই। লাহৰীঘাট সমজিলাৰ আয়ুক্ত কাৰ্যালয় উদ্বোধন কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে প্ৰশাসনক একেবাৰে ঘৰৰ পদূলিলৈ যোৱাৰ দৰে হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এক সাহসী পদক্ষেপ বুলি ক'ব লাগিব। লাহৰীঘাট ৰজাগাধোৱা হাইস্কুল চৌহদৰ ছোৱালী হোষ্টেলত লাহৰীঘাট সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ উদ্বোধন কৰা হয়। বহু দিন ব্যৱহাৰ নোহোৱাকৈ থকা হোষ্টেল মেৰামতি কৰা হয়। লাহৰীঘাট সম-জিলা আয়ুক্তৰ দায়িত্বত থাকিব এচিএছ প্ৰাঞ্জল বৰুৱা, সহকাৰী আয়ুক্ত নম্ৰতা চাহু, সহকাৰী আয়ুক্ত প্ৰমোদ শৰ্মাৰ লগতে অন্যান্য কেইবাজনো বিষয়াকৰ্মচাৰী। সম-জিলাৰ কাৰ্যালয় উদ্বোধক মন্ত্ৰী কেশৱ মহন্তৰ লগতে উপস্থিত থাকে স্থানীয় বিধায়ক আচিফ মহম্মদ নাজাৰ। উদ্বোধনী অনুষ্ঠান উপলক্ষে আয়োজিত সভাত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে অসমৰ প্ৰশাসনিক খণ্ডৰ নৱতম সংযোজন নতুন সম-জিলাৰ লাহৰীঘাট অঞ্চলসমূহে এতিয়াৰ পৰা প্ৰশাসনিক কেন্দ্ৰ হিচাপে কাম কৰিব পাৰিব। স্থানীয় নাগৰিকসকলৰ বাবে অত্যাৱশ্যকীয় চৰকাৰী সেৱাসমূহৰ সুবিধা উন্নত কৰিব। প্ৰশাসনিক ইউনিটসমূহে প্ৰমাণপত্ৰ, ৰেচন কাৰ্ড, মাটিৰ অনুমতি পত্ৰ, আৰু অন্যান্য চৰকাৰী অনুমোদন প্ৰদানৰ দৰে অত্যাৱশ্যকীয় সেৱাসমূহ সৰল আৰু ক্ষিপ্ৰতাৰে কৰিব। নাগৰিকসকলে জিলা সদৰলৈ বহু দূৰ যাত্ৰা কৰাৰ প্ৰয়োজনীয়তা বহু পৰিমাণে হ্ৰাস পাব। যাৰ ফলত দক্ষতা আৰু সুলভতা বৃদ্ধি পাব। অসামৰিক যোগান বিভাগৰ লগতে আনকেইবাটাও বিভাগৰ কাম কাজ এই সম-জিলাৰ কাৰ্যালয়তেই সমাপন কৰাৰ সুবিধা পাব।




বিদ্যুতৰ মাচুল হ্ৰাস কৰাৰ দাবীত গোলাঘাটত আছুৰ প্ৰতিবাদ

## হোজাই জিলাৰ সমাজ কল্যাণ বিভাগৰ সাফল্য

**ই-সংবাদ, মোৰাঝাৰ, ৫ অক্টোবৰঃ** হোজাই জিলাৰ বাবে গৌৰৱ কঢ়িয়াই আনিলে হোজাই সমাজ কল্যাণ বিভাগে। ৰাষ্ট্ৰীয় পোষণ মাহ উদযাপনত সফলতা লাভ কৰিছে জিলাখনে। ছেপ্টেম্বৰ মাহ সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহ হিচাপে উদযাপন কৰা হয়। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে হোজাই জিলাৰ অংগনবাড়ী কৰ্মীসকলে বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰে। সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত এলানি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ফলস্বৰূপে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে ‘ঠাইতে বিকাশ নিৰীক্ষণ’ এক শিতান ৰাখে। এই শিতানত হোজাই জিলাক প্ৰথম স্থান দিয়া হৈছে। হোজাই সমাজ কল্যাণ বিভাগক ।

### দেৰহাছাৎ বসুমতাৰীক সভাপতি আৰু দীপ্তি প্ৰসাস ব্ৰহ্মক গঠন জিলা বিপিএফ

# কোকৰাঝাৰৰ আফলাগাঁৱত জিলা বিপিএফৰ ত্ৰিবাৰ্ষিক অধিৱেশন

**ই-সংবাদ, কোকৰাঝাৰ, ৫ অক্টোবৰঃ** বিপিএফ আৰু ইউপিপিএলে লগ লাগি বিজেপিক বিটিচিৰ পৰা কেনেকৈ আউট কৰিব পাৰি তাৰহে আলোচনা হৈছে। বিপিএফ আৰু ইউপিপিএল একেলগে কাম কৰি বিজেপিক বিটিচিৰ পৰা আউট কৰিব লাগে, এইটোৱেই ইউপিপিএলৰ এজেণ্ডা। ইফালে ৰাজ্য আৰু বিটিচিত বিজেপিৰ সতে লগ লাগি ইউপিপিএলে চৰকাৰ চলাই আছে অথচ বিটিচিৰ পৰা বিজেপিক কেনেকৈ খেদাব পাৰি সেই বিষয়ে আমাৰ লগত আলোচনা কৰে। বিশ্বাসেই নহয় কিন্তু এয়াই সঁচা। এই বিস্ফোৰক মন্তব্য প্ৰকাশ কৰিছে বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে। আজি কোকৰাঝাৰ জিলাৰ দক্ষিণ আফলাগাঁও খেলপথাৰত অনুষ্ঠিত হোৱা কোকৰাঝাৰ জিলা বিপিএফৰ ত্ৰিবাৰ্ষিক অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী তথা বিপিএফ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে সংবাদমাধ্যমৰ আগত উক্ত চাঞ্চল্যকৰ মন্তব্য প্ৰকাশ কৰিছে। বিপিএফ আৰু ইউপিপিএলৰ আলোচনা অব্যাহত থকাৰ সময়তে আৰু দুই মেৰুত থকা বিপিএফ-ইউপিপিএল মিত্ৰতা হ'ব নেকি তাকে লৈ উৎসুকতা বিৰাজ কৰি থকাৰ সময়তে আজি হাগ্ৰামা মহিলাৰীয়ে আলোচনাৰ গোপন এজেণ্ডা সদৰি কৰি দিয়াত চাঞ্চল্যৰ সৃষ্টি হৈছে। হাগ্ৰামা মহিলাৰীয়ে কয়, ইউপিপিএলৰ এজেণ্ডা হ'ল বিজেপিক বিটিচিৰ পৰা আউট কৰা আৰু সেইমতে আলোচনা চলি আছে কিন্তু আলোচনা সন্দৰ্ভত দুমুখীয়া স্থিতি গ্ৰহণ কৰি ইউপিপিএলে বাহিৰত প্ৰচাৰ চলাইছে যে বিপিএফ-ইউপিপিএলৰ মিত্ৰতাৰ ফলত হাগ্ৰামা মহিলাৰী কেবিনেট মন্ত্ৰী হ'ব আৰু প্ৰমোদ বড়ো বিটিচিৰ চীফ হ'ব। গতিকে বিপিএফ বাদ দি ইউপিপিএল যোগদান কৰিবলৈ ইউপিপিএলে বিপিএফৰ কৰ্মীসকলক আহ্বান জনাইছে। এয়া সম্পূৰ্ণ মিছা কথা আৰু বিপিএফ দল ধ্বংস কৰাৰ ষড়যন্ত্ৰ বুলি উল্লেখ কৰি হাগ্ৰামা মহিলাৰীয়ে কয়,যদিহে সঁচা অৰ্থত ইউপিপিএল দলে বিপিএফৰ সতে আলোচনা আগবঢ়াই নিব খোজে তেন্তে পোণপ্ৰথমে ইউপিপিএলে বিজেপি চৰকাৰৰ অংশীদাৰ বাদ দি ওলাই আহক, তেতিয়াহে বিশ্বাস কৰিম। ৰাজ্য আৰু বিটিচিত বিজেপিৰ সতে ইউপিপিএলে চৰকাৰ চলাই আছে আৰু আমাৰ লগত আলোচনা কৰে কেনেকৈ ইউপিপিএল-বিপিএফ মিত্ৰতা কৰি বিজেপিক বিটিচিৰ পৰা আউট কৰিব পাৰি। বিশ্বাসেই নহয় আৰু সেইকাৰণে কৈছো প্ৰথমে চৰকাৰ বাদ দি ওলাই আহা, তাৰপিছত আলোচনা আগবঢ়াই নিয়া। আলোচনাৰ নামত আলোচনা কৰি লাভ নাই। অপপ্ৰচাৰ কৰি বিপিএফ দলক ধ্বংস কৰাৰ ষড়যন্ত্ৰ কৰিও লাভ নাই বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। ইপিনে আফলাগাঁৱত অনুষ্ঠিত হোৱা কোকৰাঝাৰ জিলা বিপিএফৰ ত্ৰিবাৰ্ষিক অধিৱেশনৰ লোকে লোকাৰণ্য মুকলি সভাত হাগ্ৰামা মহিলাৰীয়ে কয় যে ২০২৫ চনত বিটিচিত বিপিএফে অকলে নিৰ্বাচন খেলিব আৰু নিৰংকুষ সংখ্যাগৰিষ্ঠতা লাভ কৰিব। দলৰ কৰ্মীসকলক ধৈৰ্য নেহেৰুৱাবলৈ আহ্বান কৰি মহিলাৰীয়ে কয়, আৰু মাত্ৰ কেইটামান মাহ অপেক্ষা কৰক, বিহুৰ পূৰ্বেই চৰকাৰ গঠন কৰিম। যিসকল ইতিমধ্যে বিপিএফ দল ত্যাগ কৰি আন দললৈ গৈছে তেওঁলোকক ঘূৰাই লোৱা নহব বুলি ঘোষণা কৰিছে মহিলাৰীয়ে। ইপিনে যোৱা লোকসভা নিৰ্বাচনত ইউপিপিএল দলে কোকৰাঝাৰ লোকসভা সমষ্টিত বিজয় সাৰস্থ্য কৰাৰ পিছতো ফটকা ফুটোৱা নাই, গাহৰি খোৱা নাই, ফূৰ্তি নকৰাৰ আঁৰত ৰহস্য আছে বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰীয়ে কয় কোকৰাঝাৰ লোকসভা আসনত বিপিএফ হাৰা নাই, জিকিছে বুলি মন্তব্য প্ৰকাশ কৰিছে। উল্লেখ্য যে আজি কোকৰাঝাৰ জিলা বিপিএফৰ সপ্তম ত্ৰিবাৰ্ষিক অধিৱেশন জিলাখনৰ আফলাগাঁৱত অনুষ্ঠিত হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ৭:৩০ প্ৰতিনিধি পঞ্জীয়ন, পুৱা ৮:৩০ বজাত কোকৰাঝাৰ জিলা বিপিএফৰ পতাকা উত্তোলন কৰে জিলা বিপিএফৰ সভাপতি তথা বিটিচিৰ পাৰিষদ দেৰহাছাৎ বসুমতাৰীয়ে। ইয়াৰ পিছতে পুৱা ৯:০০ বজাত শ্বহীদৰ প্ৰতি পুষ্পাঞ্জলি তৰ্পন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্মই। ৯:৩০ বজাত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাৰ আদৰণি ভাষণ দিয়ে বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে।

উপস্থিত মন্ত্ৰী অজন্তা নেওগ, বিধায়ক মৃণাল শইকীয়াকে ধৰি বহুসংখ্যক লোক

# গোলাঘাট আৱৰ্ত ভৱনত ৩৭ সংখ্যক গোলাঘাট জিলা দিৱস উদযাপন

**ই-সংবাদ, গোলাঘাট, ৫ অক্টোবৰঃ** আজি ৩৭ সংখ্যক গোলাঘাট জিলাৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। পুৱা গোলাঘাট আৱৰ্ত ভৱনত অসম চৰকাৰৰ মন্ত্ৰী অজন্তা নেওঁগে জিলা দিৱসৰ পতাকা উত্তোলন কৰে। মন্ত্ৰী অজন্তা নেওঁগ, খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া, জিলা আয়ুক্ত পুলক মহন্ত তথা বিষয়াসকলে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যৰ্পণ কৰে। জিলা দিৱসৰ লগত সংগতি ৰাখি মন্ত্ৰী অজন্তা নেওগ আৰু বিধায়ক মৃণাল শইকীয়াই জিলা আয়ুক্ত কাৰ্যালয়লৈ গ্ৰন্থদান কৰে। জিলা দিৱস উপলক্ষ আৱৰ্ত ভৱনত আয়োজিত সভাত মন্ত্ৰী অজন্তা নেওগে গোলাঘাট জিলাৰ গৌৰৱোজ্জল ইতিহাস সোঁৰৱাৰ লগতে জিলা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। সভাত খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই জিলা দিৱস উপলক্ষ্ গোলাঘাট জিলাৰ উত্তোৰণ আৰু অনাগত দিনৰ বাবে কৰিবলগীয়া কামৰ কথা উল্লেখ কৰে। গোলাঘাট জিলাৰ জিলা আয়ুক্তই ভাষণত জিলা প্ৰশাসনে লোৱা কাৰ্যসূচীসমূহৰ বিষয়ে উল্লেখ কৰে। সত্ৰীয়া নৃত্য, ঝুমুৰকে ধৰি সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। সভাত গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক, গোলাঘাট পৌৰসভাৰ পৌৰনেত্ৰী দুলুমনি বৰবৰা, গোলাঘাট জিলা প্ৰশাসনৰ বিষয়াসকল তথা গোলাঘাটৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু ৰাইজ উপস্থিত থাকে।

## চাৰিকড়িয়া নদীৰ পাৰত নিচাযুক্ত সামগ্ৰীসহ ৭ যুৱকক কৰায়ত্ত ৰাইজৰ

**ই-সংবাদ, ঢকুৱাখনা, ৫ অক্টোবৰ:** ঢকুৱাখনা আৰক্ষী থানাৰ অন্তৰ্গত চাৰিকড়িয়া নদীৰ বলাইঘাট এতিয়া নিষিদ্ধ ড্ৰাগছ, ভাংৰ ৰম্যভূমিত পৰিণত হৈছে। পুৱা হ'লেই একাংশ বিপথগামী উদণ্ড যুৱক-যুৱতীৰ সমাগম ঘটা এই বলাইঘাটৰ নদীৰ পাৰত মুকলি ভাবেই নিষিদ্ধ বেহা আৰু অসামাজিক কাম কাজ চলি আহিছে। সামাজিক পৰিবেশ বিঘ্নিত কৰা এই নিষিদ্ধ কাৰ্যৰ বিৰুদ্ধে নাৰায়ণপূৰ গাঁওবাসী ৰাইজ আৰু গাঁওৰক্ষী বাহিনীয়ে দীৰ্ঘদিন ধৰি অভিযান চলাই আহিছিল। বহু সময়ত এনে দুষ্কাৰ্য কৰা পথভ্ৰষ্ট যুৱক যুৱতীক আটক কৰি অভিভাৱকক গতাই দি আহিছিল। শনিবাৰে বিয়লি এনে অবৈধ কাৰ্যৰ পুনৰাবৃত্তি ঘটে। এখন কলা বৰণৰ এ এছ ০৭/ ভি / ০৭৯০ মাৰুতি এলন্ট বাহনত ড্ৰাগছ সৰবৰাহ কৰি বলাইঘাটত বিক্ৰীৰ বাবে অনা খবৰ লাভ কৰে গাঁওৰক্ষী বাহিনি আৰু নাৰায়ণপূৰ গাঁৱৰ ৰাইজে। গাঁওৰক্ষী বাহিনীয়ে লাভ কৰা তথ্যৰ ভিত্তিত সন্দেহজনক বাহনখনৰ লগতে চালকজনক তালাচী চলোৱাত বহু আপত্তিজনক সামগ্ৰী জব্দ কৰে। এই সন্দৰ্ভত ঢকুৱাখনা সদৰ থানাত এক গোচৰ ৰুজু কৰা হৈছে।



বন্ধ বাৰ! চীনৰ এগৰাকী কণমাণিৰ উছাহ, ফটো শনিবাৰৰ

## মৰিগাঁৱত বাল্য বিবাহ প্ৰতিৰোধৰ সন্দৰ্ভত সজাগতা সভা

**ই-সংবাদ, মৰিগাঁও, ৫ অক্টোবৰঃ** বাল্য বিবাহ হৈছে সমাজৰ এক ব্যাধি। ইয়াক প্ৰতিৰোধ কৰাৰ লগতে শিশু সকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত বাল্য বিবাহ নিষেধাজ্ঞা বিষয়া সকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। এই মন্তব্য মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) সমীৰণ বৈশ্যৰ। আজি মৰিগাঁও চহৰৰ পবিতৰা হাট প্ৰেক্ষাগৃহত বাল্য বিবাহ প্ৰতিৰোধ আৰু শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ সন্দৰ্ভত অনুষ্ঠিত এখন সজাগতা সভাত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি আৰক্ষী বিষয়া গৰাকীয়ে বাল্য বিবাহৰ বিৰুদ্ধে বলবৎ আইন, শিশুসকলক শাৰীৰিক আৰু আৱেগিক ক্ষতিৰ পৰা কিদৰে ৰক্ষা কৰিব পাৰি তাৰ ওপৰত বক্তব্য আগবঢ়াই। তাৰোপৰি এজন বাল্য বিবাহ নিষেধাজ্ঞা বিষয়াই কিদৰে বাল্য বিবাহত বাধা দিব, ভুক্তভোগীক সুৰক্ষা প্ৰদান কৰিব, অপৰাধীৰ বিৰুদ্ধে গোচৰ চলোৱা প্ৰক্ৰিয়া, চৰকাৰক কেনেদৰে প্ৰতিবেদন দাখিল কৰিব, আদালতক কেনেদৰে সহায় কৰিব আদি কৰি সকলোবোৰ বিষয় বিস্তৃত ব্যাখ্যা দাঙি ধৰি বাল্য বিবাহ যুঁজত সকলো বিষয়াকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাই। সভাত মৰিগাঁও শিশু সুৰক্ষা বিষয়া, মৰিগাঁও জিলাৰ বাল্য বিবাহ নিষেধাজ্ঞা বিষয়া সকলে অংশ গ্ৰহণ কৰে।

পৰিয়ালত লাগিছে হাহাকাৰ

# বহিঃৰাজ্যত নিখোজ আহমেদ আলী

**ই-সংবাদ, বেৰেজীয়া, ৫ অক্টোবৰঃ** বহিঃৰাজ্যত কামৰ সন্ধানত যোৱা অসমৰ লোক সময়ে সময়ে ৰহস্যজনকভাবে সন্ধানহীন হৈ অহাৰ সময়তে পুনৰ সংঘটিত হৈছে অনুৰূপ ঘটনা। এইবাৰ কৰ্ম সংস্থাপনৰ বাবে গৈ বহিঃৰাজ্যত নিখোজ হৈছে মধ্য অসমৰ নগাঁও জিলাৰ এজন বয়োজ্যেষ্ঠ ব্যক্তি। সত্তৰোৰ্ধ্বৰ এই ব্যক্তি গৰাকী হৈছে জিলাখনৰ বটদ্ৰৱাৰ ধনিয়াভেটি পথাৰৰ আহমেদ আলী। আচলতে, আহমেদ আলীয়ে যোৱা এক অক্টোবৰৰ বিয়লিৰ ভাগত লগত পুত্ৰ জামাল হুছেইন আৰু বোৱাৰী আপজুমাৰ সৈতে ৰে'ল যোগে কৰ্ম সংস্থাপনৰ বাবে বাংগালুৰুলৈ গৈছিল। কিন্তু আশ্চৰ্যজনকভাবে লোকজন গৈ থকা অৱস্থাত মালদাহ পাৰ হোৱাৰ পিছতেই ৰে'লৰ পৰাই সন্ধানহীন হৈ পৰে। বটদ্ৰৱা আৰক্ষীত এজাহাৰ দাখিল কৰাৰ লগতে সম্ভাব্য সকলো ঠাইতে বিচাৰ-খুচাৰ কৰিছে যদিও ব্যক্তিজনৰ কোনো শুংসূত্ৰ নোলোৱাত পৰিয়ালৰ লোকসকল দুশ্চিন্তাত মানসিকভাবে ভাগি পৰিছে। সেয়ে যদি কোনো সদাশয় লোকে নিৰুদ্দিষ্ট ব্যক্তনৰ কিবা সম্ভেদ পায় তেন্তে ওচৰৰ আৰক্ষী থানা নতুবা ৮১৩৯০-৬৮৮০৫ আৰু ৬০০১৩-০৬৯৬২ নম্বৰত যোগাযোগ কৰিবলৈ দুৰ্ভগীয়া পৰিয়ালবৰ্গই অনুৰুধ জনাইছে।

# পূজাৰ বতৰত গ্ৰাহকৰ অভাৱ, বিপাঙত ক্ষুদ্ৰ বস্ত্ৰ ব্যৱসায়ী

**ই-সংবাদ, বেৰেজীয়া, ৫ অক্টোবৰঃ** এতিয়া পূজাৰ বতৰ। শাৰদীয় দুৰ্গোৎসৱ নিচেই সমাগত। কেউফালে এক উৎসৱমুখৰ পৰিবেশ। দূৰ্গা পূজা অনুষ্ঠিত কৰা আয়োজক সমিতিবোৰৰ মাজত সীমাহীন ব্যস্ততা। পূজা আগমনৰ হেতু ব্যৱসায়ীসকলেও দোকান-পোহাৰ বিভিন্ন সামগ্ৰীৰে উপচাই পেলাইছে। গ্ৰাহকক আকৰ্ষণ কৰাৰ নিমিত্তে আটকধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে সৰু-বৰ সকলো ব্যৱসায় প্ৰতিষ্ঠান। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাও। জিলাখনৰ সৰ্বত্ৰে এতিয়া পূজাকেন্দ্ৰীক আনন্দময় পৰিবেশ। বিগত কেইদিনমানত পৰি থকা বৰষুনে মানুহৰ মনবোৰ সেমেকাই তুলিলেও দুৰ্গোৎসৱৰ দিনকেইটাত বতৰ ফৰকাল হোৱাৰ কামনা কৰি সকলোয়ে দুৰ্গোৎসৱৰ আনন্দ উপভোগ কৰাৰ বাবে নিজকে সাজু কৰিছে। পিছে এনে পূজাৰ বতৰত নগাঁৱৰ ক্ষুদ্ৰ বস্ত্ৰ ব্যৱসায়ীসকল বৃহৎ লোকচানৰ সন্মুখিন হোৱাৰ আশংকাত চিন্তিত হৈহে পৰিছে। সাধাৰণতে বিহু, ঈদ আদিৰ দৰে দুৰ্গোৎসৱৰ বতৰত সকলোয়েই এসাজ নতুন কাপোৰ ক্ৰয়ৰ বাবে হাবিয়াস কৰে আৰু সেয়ে এই সময়ছোৱাত বস্ত্ৰৰ বিপনীবোৰত গ্ৰাহকৰ যথেষ্ট ভিৰ হয়। পিছে এইবাৰ দুৰ্গোৎসৱলৈ মাজতে দুটামান দিনহে থকা অৱস্থাত তেনে পৰিবেশ সৃষ্টি হোৱা নাই ক্ষুদ্ৰ ক্ষুদ্ৰ বস্ত্ৰৰ বিপনীবোৰত। যাৰ ফলত এই ব্যৱসায়ীসকল বৃহৎ লোকচানৰ সন্মুখিন হোৱাৰ শংকাত ভূগিছে। অভাৱনীয়ভাৱে গাঁৱে-ভূঞে বৃদ্ধি পোৱা অনলাইন শ্বপিং ব্যৱস্থাই এনে হোৱাৰ অন্যতম কাৰণ বুলি জানিবলৈ দিছে নগাঁৱৰ ক্ষুদ্ৰ কাপোৰ ব্যৱসায়ী তথা দোকানৰ মালিকসকলে। তেওঁলোকৰ মতে, অনলাইন শ্বপিং মাৰ্কেটে বজাৰ দখল কৰাত তীব্ৰ ভাবুকি আনিছে। কাৰণ প্ৰায় সংখ্যক গ্ৰাহকে আজিকালি অনলাইন যোগে বজাৰ কৰাতহে অধিক গুৰুত্ব আৰোপ কৰিবলৈ ধৰিছে। সেয়ে বৰ্তমান সময়ত অনলাইন শ্বপিঙে সকলোতে শিপাই পেলোৱাত দুৰ্গোৎসৱৰ প্ৰাকক্ষণত এনেদৰে ক্ষুদ্ৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহত গ্ৰাহকৰ ভিৰ যথেষ্ট সেৰেঙা হোৱাত বিপদত পৰিছে এইসকল ক্ষুদ্ৰ ব্যৱসায়ী। আনকি পূজাৰ প্ৰাক মুহূৰ্তত ক্ষুদ্ৰ বস্ত্ৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহত গ্ৰাহকৰ অভাৱত বিক্ৰী হ্ৰাস পোৱাত এইসকল ব্যৱসায়ীয়ে কিংকৰ্তব্যবিমূঢ়ত পৰিবলগীয়া হৈছে।



আফলাগাঁৱত কোকৰাঝাৰ জিলা বিপিএফৰ ত্ৰিবাৰ্ষিক অধিৱেশনত উপস্থিতসকলৰ একাংশ, শনিবাৰে

# যোৰহাট মেডিকেল কলেজ হাস্পতালৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী আপৰ

**ই-সংবাদ, ৫ অক্টোবৰঃ** "কিছুদিন পূৰ্বে চৰকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মাচুল অস্বাভাৱিক হাৰত বৃদ্ধি কৰিছিল। এইবাৰ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ক্ষেত্ৰতো একেধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দুৰ্গা পূজাৰ পিচৰ পৰা জেএমচি হাস্পতালৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত ৰাজ্যৰ দৰিদ্ৰ ৰোগীৰ ওপৰত মাধমাৰ স্বৰূপ। আমি যোৰহাট মেডিকেল কলেজ হাস্পতাল কৰ্তৃপক্ষৰ এই জনবিৰোধী সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছোঁ। " আজি আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে এক প্ৰেছ বিজ্ঞপ্তি যোগে যোৰহাট মেডিকেল কলেজ হাস্পতালৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী জনাই এই অভিযোগ উত্থাপন কৰে যে মাহেকে-পষেকে হাজাৰ হাজাৰ কোটি টকা ঋণ লোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে অৱশেষত ৰাজ্যৰ দৰিদ্ৰ জনসাধাৰণৰ ওপৰত কৰ-কাটল তথা অত্যধিক মাচুলৰ বোজা জাপি



দিছে। প্ৰেছ বিজ্ঞপ্তিত ধানোৱাৰে কয়, "চৰকাৰী হাস্পতালত এনে উচ্চ হাৰৰ মাচুল কোনো পধ্যেই গ্ৰহণযোগ্য নহয়। কিছুমান ক্ষেত্ৰত মাচুল দুগুণ, তিনিগুণলৈকে বৃদ্ধি কৰা হৈছে। এই সিদ্ধান্ত কাৰ্যকৰী হ'লে চৰকাৰী মেডিকেল কলেজ হাস্পতালৰ চিকিৎসা সেৱা আৰু নাৰ্চিং হোমৰ চিকিৎসা সেৱাৰ মাজত পাৰ্থক্য নোহোৱা হৈ পৰিব। ৰাজ্যখনত দৰিদ্ৰ আৰু নিম্ন আয়ৰ লোকে যিকোনো ধৰণৰ চিকিৎসা লাভৰ পৰা বঞ্চিত হ'ব। " লোকে যিকোনো ধৰণৰ চিকিৎসা লাভৰ পৰা বঞ্চিত হ'ব। "আপৰ ৰাজ্যিক সভাপতি গৰাকীয়ে অসম চৰকাৰৰ স্বাস্থ্য বিভাগক দিল্লী আৰু পঞ্জাৱ চৰকাৰে আগবঢ়োৱা স্বাস্থ্য সেৱাৰ মডেল গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সভাপতি ধানোৱাৰে দিল্লী আৰু পঞ্জাৱৰ আপৰ চৰকাৰে মহল্লা ক্লিনিকৰ জৰিয়তে উন্নত মানৰ বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱাৰ দৰে অসমতো মহল্লা ক্লিনিক স্থাপনৰ দাবী জনায়। উল্লেখ্য যে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰস্তাবিত মাচুলৰ নতুন নিৰিখ অনুসৰি ৰোগীৰ পঞ্জীয়ন মাচুল ১০ টকাৰ পৰা ২০ টকা, জেনেৰেল ৱাৰ্ডৰ বৰ্তমানৰ মাচুল ১০ টকাৰ পৰা ৫০ টকা, প্ৰসূতিৰ চিজাৰিয়ান অস্ত্ৰোপচাৰৰ বাবে পেয়িং কেবিন ১৮০০ টকাৰ পৰা ৩০০০ টকা, লেপাৰ'স্কপিক অপাৰেচন (জেনেৰেল ৱাৰ্ড)ৰ ৩ হাজাৰ টকাৰ পৰা ৫ হাজাৰ টকা, মেজৰ মুকলি অস্ত্ৰোপচাৰ ৬০০ টকাৰ পৰা ৬ হাজাৰ টকালৈ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ।

শেষ পৃষ্ঠা

# ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলিল নগাঁৱৰ ৰাণী ফুকন




**ই-সংবাদ, বেবেজীয়া, ৫ অক্টোবৰঃ** সময়ে সময়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ যুৱক-যুৱতীয়ে ধাৰাবাহিকভাবে সফলতা অৰ্জন কৰি অহাৰ সমান্তৰালভাৱে পুনৰ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্বলি উঠি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে নগাঁও জিলাৰ এগৰাকী প্ৰতিভাৱান ছাত্ৰীয়ে। এই ছাত্ৰীগৰাকী হৈছে জিলাখনৰ কামপুৰৰ চাংচকীৰ ৰাণী ফুকন। শংকৰদেৱ শিশু নিকেতনৰ সপ্তম শ্ৰেণীত অধ্যয়ণৰত ৰাণীয়ে বিহাৰৰ চিবান জিলাত যোৱা ১ অক্টোবৰৰ পৰা অনুষ্ঠিত হোৱা ৩৫ তম ৰাষ্ট্ৰীয় খেল সমাৰোহৰ ৰাষ্ট্ৰীয় টাইকোৱানডো প্ৰতিযোগিতাত সোনৰ পদক হস্তগত কৰিবলৈ সক্ষম হৈছে। সৰুৰে পৰা স্কুলীয়া শিক্ষাৰ সমান্তৰালকৈ টাইকোৱানডোত একাগ্ৰতাৰে মনোনিবেশ কৰা ৰাণীয়ে অসমৰ হৈ উক্ত ৰাষ্ট্ৰীয় টাইকোৱাডো প্ৰতিযোগিতাত ভাগ লৈছিল। ছাত্ৰীগৰাকীয়ে বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থান স্কুল গেমছ ফেডাৰেচনৰ দ্বাৰা আয়োজিত ১১খন ৰাজ্যৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান দখল কৰে। ৰাণীৰ এই ঈষণীয় সফলতাই এতিয়া সমগ্ৰ অসমৰ লগতে কামপুৰ তথা নগাঁও জিলাবাসীক গৌৰান্বিত কৰি তোলাৰ বিপৰীতে বিভিন্নজনে উজ্বল ভৱিষ্যতৰ কামনাৰে শুভেচ্ছা জনাইছে।

# মৰিগাঁৱত 'এ' ডিভিজন ফুটবল লীগত অসমজ্যোতি, দলবাৰীৰ বিজয় লাভ

**ই-সংবাদ, মৰিগাওঁ, ৫ অক্টোবৰঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত বিপুল সংখ্যক ফুটবল প্ৰেমী ৰাইজৰ উৎসাহ উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হৈ থকা গুনেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণী 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ প্ৰথম খেলখনত দলবাৰী যুৱকল্যাণ সংঘৰ খেলুৱৈ সকলে ছন্দোবদ্ধ আৰু শক্তিশালী খেল প্ৰদৰ্শন কৰি মৰিগাঁও মৰ্ণিং ক্লাৱক ৭-১ গ'লৰ বৃহৎ ব্যৱধানত পৰাজিত কৰি গুৰুত্বপূৰ্ণ তিনি পইন্ট লাভ কৰে । বিয়লিৰ ভাগত অনুষ্ঠিত দ্বিতীয়খন আকৰ্ষণীয় খেলত অসম জ্যোতি ক্লাবে সুন্দৰ খেল প্ৰদৰ্শন কৰি বৰিগাওঁ ইয়ং স্পৰ্টিং ক্লাৱক ২-০ গ'লত পৰাস্ত কৰে। আজিৰ খেল দুখন পৰিচালনা কৰে অসম ফুটবল সন্থাৰ স্বীকৃতি প্ৰাপ্ত ৰেফাৰী ৰ'জ



আহমেদ, বিজয় বৰদলৈ, পদ্ম পাতৰ আৰু ধৰ্মেশ্বৰ কেলেঙে পৰিচালনা কৰে।

# খৰাগড়ত প্ৰাইজমাণি কেৰম প্ৰতিযোগিতা আৰম্ভ

**ই-সংবাদ, আমগুৰি, ৫ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ নামতিৰ খৰাগড় চাৰিআলি যুৱ সমাজৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত কেৰম খেল প্ৰতিযোগিতা আজি উদ্বোধন কৰা হয়। খৰাগড় চাৰিআলিত অনুষ্ঠিত প্ৰতোগিতা ৰাজ্যিক কেৰম খেলুৱৈ আব্দুছ কালাম চৌধুৰীয়ে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নামতি প্ৰেছ ক্লাবৰ সভাপতি ৰাতুল শৰ্মা, সমাজকৰ্মী নৃপেন গগৈ, বিমল ভড়ালী, আটাছুৰ শিৱসাগৰ জিলাৰ সভাপতি অখিল আহোম, আহোম জাতীয় গণ মঞ্চৰ সভাপতি মহেন্দ্ৰ দিহিঙ্গীয়া, ব্যৱসায়ী পৰেশ দত্তৰ লগতে কেইবাজনো গণ্যমান্য ব্যক্তি। প্ৰাইজমণি কেৰম প্ৰতিযোগিতাখনত ইতিমধ্যে অংশ গ্ৰহণ কৰিবৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈ খৰাগড় চাৰিআলিত উপস্থিত হৈছে। এই কেৰম প্ৰতিযোগিতাখনক লৈ স্থানীয় ৰাইজো উৎসাহী হৈ পৰিছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)